# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২০/১২/২০২২ মঙলবাৰ**

---

**আজি ইংৰাজী ২০-১২-২০২২ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিবেশন পূৰ্ব্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ৩০ বজাত আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** বিগত সময়ছোৱাত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা কেইবাগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে।

সেইসকলৰ ভিতৰত অসম বিধান সভাৰ সন্মানীয় সদস্যপদ অলঙ্কৃত কৰা দুগৰাকী প্ৰাক্তন বিধায়কো আছে। তেখেতসকল হ'ল —

**প্ৰাক্তন বিধায়ক, কৰেন্দ্ৰ বসুমতাৰী আৰু**
**প্ৰাক্তন বিধায়ক, ৰবীন বণিক্য**

**কৰেন্দ্ৰ বসুমতাৰী ঃ**

অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক, নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক কৰেন্দ্ৰ বসুমতাৰীৰ যোৱা ইংৰাজী ৩ নবেম্বৰ ২০২২ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

১৯৫৮ চনত ৰৌতা চাৰিআলিৰ সমীপৱৰ্তী আয়েথেনঝাৰত জন্মগ্ৰহণ কৰা কৰেন্দ্ৰ বসুমতাৰী ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ পানেৰী বিধানসভা সমষ্টিৰ পৰা অসম বিধান সভাৰ মজিয়ালৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত পুনৰ মাজবাট বিধানসভা সমষ্টিৰ পৰা ২০০১ চনৰ পৰা ২০১১ চনলৈ দুবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হয়। মুঠ তিনিবাৰকৈ তেখেতে বিধায়কৰ পদ অলঙ্কৃত কৰি অসম বিধান সভালৈ নিৰ্বাচিত হৈছিল। তদুপৰি তেখেতে ১৯৮৩ চনৰ পৰা ১৯৮৬ চনলৈকে নিখিল বড়ো ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি আৰু ১৯৮৮ চনৰ পৰা ১৯৯১ চনলৈ বি.পি.এ.চি.ৰ সভাপতি পদত কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭৬ চনৰ পৰা ১৯৯১ চনলৈ শিক্ষকতাৰ বৃত্তিতো তেখেত জড়িত আছিল। তাৰোপৰি তেখেতে 'লাল' নামৰ এখন কবিতা পুথি ৰচনা কৰাৰ লগতে বড়ো জনগোষ্ঠীয় লোক সংস্কৃতিৰ অগ্ৰণী লোক হিচাপে 'অগ্নিবৃষ্টি' নামৰ এখন বোলছবি প্ৰযোজনা আৰু অভিনয় কৰি ৰাইজৰ মাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক, বড়ো জনগোষ্ঠীৰ অন্যতম অগ্ৰণী নেতা তথা নিষ্ঠাবান সমাজকৰ্মীৰ বিয়োগত ৰাজ্যখনৰ জাতীয় জীৱনত অপূৰণীয় ক্ষতি হ'ল।

**ৰবীন বণিক্য ঃ**

প্ৰাক্তন বিধায়ক তথা অসম গণ পৰিষদ দলৰ জ্যেষ্ঠ নেতা ৰবীন বণিক্যৰ যোৱা ইংৰাজী ১১ নবেম্বৰ ২০২২ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

১৯৪৫ চনত কোকৰাঝাৰ জিলাৰ বাসুগাঁৱত জন্মগ্ৰহণ কৰা ৰবীন বণিক্যই ১৯৯৬ চনৰ নিৰ্বাচনত অভয়াপুৰী (দক্ষিণ) বিধান সভা সমষ্টিৰ পৰা প্ৰথমবাৰ অসম বিধান সভালৈ বিধায়ক

হিচাপে নিৰ্বাচিত হৈছিল। পৰৱৰ্ত্তী কালত ২০০৬ বৰ্ষটো বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। ৰাজনীতিত প্ৰৱেশ কৰাৰ পূৰ্বে অসম চৰকাৰৰ উচ্চপদস্থ বিষয়া হিচাপে কাৰ্য্যনিৰ্বাহ কৰা বণিক্য ডাঙৰীয়াই অসম ভৈয়াম আৰু পাৰ্বত্য জিলাৰ অনুসূচীত জনজাতি উন্নয়ন নিগম, ৰবৰ উন্নয়ন বৰ্ড, ফিছফেড আদিৰ অধ্যক্ষ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। ৰাজনৈতিক ক্ষেত্ৰখনৰ উপৰিও ৰবীন বণিক্য সাংস্কৃতিক জগততো এগৰাকী সুৰকাৰ, গীতিকাৰ, অভিনেতা তথা নাট্যকাৰ হিচাপে জনাজাত আছিল। তেখেতে কেবাখনো নাটক ৰচনা আৰু পৰিচালনা কৰাৰ উপৰিও প্ৰায় ৪০ টাৰো অধিক গীত ৰচনা কৰি সুৰ প্ৰদান কৰিছিল।

এইগৰাকী প্ৰাক্তন বিধায়ক তথা ৰাজনৈতিক নেতা আৰু সাংস্কৃতিক কৰ্মীৰ বিয়োগত ৰাজ্যখনৰ এক অপূৰণীয় ক্ষতি হ'ল। লগতে দেশ তথা ৰাজ্যখনলৈ বিভিন্ন ক্ষেত্ৰত বিশেষ বৰঙণি আগবঢ়োৱা আৰু কেইগৰাকীমান বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে, তেখেতসকল হ'ল —

১) বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া, বশিষ্ঠ দেৱ শৰ্মা।
২) বিশিষ্ট অভিনেতা, নিপন গোস্বামী ।
৩) বৰেণ্য চিত্ৰশিল্পী, নীলপৱন বৰুৱা ।
৪) বিশিষ্ট চিত্ৰশিল্পী, প্ৰসিদ্ধ কাৰ্টুনিষ্ট তথা সফল ছবি নিৰ্মাতা, পুলক গগৈ।
৫) লোক সংস্কৃতিৰ পণ্ডিত, গৱেষক তথা শিক্ষাবিদ, ড° নবীন চন্দ্ৰ শৰ্মা।
৬) বিশিষ্ট লোকশিল্পী, ক্ষীৰোদ খাখলাৰী।
৭) বিশিষ্ট লেখক, গৱেষক, পণ্ডিত, ভাষাবিদ, ড° শিৱনাথ বৰ্মন।
৮) বিশিষ্ট অভিনেত্ৰী, বৰুণা চৌধুৰী।
৯) জনপ্ৰিয় কাৰ্টুনিষ্ট, জনসংযোগ বিষয়া, চিৰঞ্জীৱ দত্ত ।
১০) প্ৰবীণ নাট্যশিল্পী, গোপাল চন্দ্ৰ শৰ্মা ।
১১) বিশিষ্ট লেখিকা, নাট্যকাৰ, সমাজকৰ্মী, ড° অনিমা গগৈ ।
১২) প্ৰবীণ জাতীয়তাবাদী নেতা, খনীন মহন্ত।

অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পবিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তিসকলৰ বিয়োগত শোক প্ৰকাশ কৰিছো।

এতিয়া প্ৰয়াত লোক সকলৰ পবিত্ৰ স্মৃতিত আৰু তেখেতসকলৰ বিদেহ আত্মাৰ সদ্গতি আৰু চিৰশান্তি কামনা কৰি ক্ষন্তেক সময় থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো।

**(মাননীয় অধ্যক্ষ আৰু সদনৰ সকলো সদস্য-সদস্যাই ১ মিনিট সময় মৌন প্ৰাৰ্থনা জনায়)**

**শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ অসম বিধান সভাৰ প্ৰধান সচিব ডাঙৰীয়াই সদনৰ এই শোক বাণীৰ প্ৰতিলিপি প্ৰেৰণ কৰিব।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১। মাননীয় বিধায়ক তথা বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়া।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ যিখিনি দিয়া হৈছে গোটেইখিনি মই সন্তুষ্ট হ'ব পৰাকৈ ইয়াত নাই। যিহেতু ২০১৭ চনতেই বিধান সভাৰ পবিত্ৰ মজিয়াত নাৰীৰ ওপৰত হোৱা অত্যাচাৰ, হিংসা আদি ৰোধ কৰিবলৈ কঠোৰ আইন অনা হ'ব বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল। তাৰ পিছত যোৱা পাঁচ বছৰত প্ৰতি ক্ষেত্ৰতে আগৰ বছৰতকৈ নাৰীৰ ওপৰত হোৱা অত্যাচাৰ বৃদ্ধি পাই আহিছে। ২০২১ চনত ২৬,২৪৩ টা মহিলাৰ বিৰুদ্ধে অপৰাধ হৈছে। তাৰ পূৰ্বৰ বছৰত ২৬ হাজাৰ আৰু তাৰ পূৰ্বৰ বৰ্ষত ২১ হাজাৰ আছিল। অনুৰূপ ধৰণে ২০২০ চনত ১৭৩৪ টা ধৰ্ষণ হৈছিল। ২০২১ চনত ৩৭৪৭ টা হৈছিল। নাৰীজনিত অপহৰণৰ ঘটনা ৪৭৯২ টা হৈছিল। ২০২১ চনত এইটো ৭,৬৯১ টা হৈছে। ঠিক তেনেদৰে স্বামীৰ দ্বাৰা নিৰ্যাতনৰ ঘটনা ২০২০ চনত ১১,৩৯০ টা হৈছিল আৰু এইবছৰ ১৪, ৪৫২ টা হৈছে। এইখিনি এন.চি. আৰ.বি ৰ ৰিপোৰ্ট। এইবিলাক ৰোধ কৰিবলৈ চৰকাৰে যিখিনি আঁচনিৰ কথা কৈছে এইখিনি সমগ্ৰ অসমত হোৱা নাই। পাইলট প্ৰজেক্টৰ নিচিনাকৈ ক'ৰবাত কামৰূপ, ধেমাজি বা লখিমপুৰত হৈছে। যিটো আমাৰ নিৰ্ভয়া ফাণ্ড ২০১২ চনৰ ১৬ ডিচেম্বৰৰ ঘটনাৰ পিছত ভাৰত চৰকাৰে ৰাজ্য চৰকাৰ আৰু বিভিন্ন লাইন ডিপাৰ্টমেণ্টক দিয়ে, সেই পুঁজিও আমাৰ অসমত কিমান পোৱা হ'ল, কিমান ব্যয় হ'ল সেই বিষয়েও জানিব বিচাৰো। লগতে নিৰ্ভয়া অৰ্ন্তগত কি কি কাম কৰা হৈছিল এই বিষয়েও জানিব বিচাৰিছো। আমাৰ গোটেই ভাৰত বৰ্ষতে মাত্ৰ ৩০ শতাংশ ফাণ্ডহে ইউটিলাইজ হৈছে বুলি লোকসভাত তথ্য দিয়া হৈছে। আমাৰ অসমত এইখিনি কিমান হ'ল আৰু যোৱা পাঁচ বছৰৰ কথাখিনি কলোঁৱেই। গতিকে কি কি কাম নিৰ্ভয়াৰ যোগেদি কৰা হৈছে আৰু বাকী জিলা সমূহত কেতিয়া কৰা হ'ব এইখিনি মই মাননীয়া মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়া।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে বিৰোধী দলপতি ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেখেতে এটা সংবেদনশীল বিষয় আমাৰ হাউচত উত্থাপন কৰিছে। এই ক্ষেত্ৰত আমাৰ সকলোৰে এটা সচেতনতাৰ অতি প্ৰয়োজন আছে। আমি আমাৰ ৰাজ্যখনত দেখিছো যে মহিলাৰ ওপৰত যিটো নিৰ্যাতন বা শিশুৰ ওপৰত যিটো নিৰ্যাতন ইয়াক ৰোধ কৰিবলৈ হ'লে আমাৰ সকলোৰে এটা কালেক্টিভ ৰেচপনচিবিলিটি লাগিব। ইতিমধ্যে আমাৰ মহিলা আৰু শিশু বিকাশ বিভাগে যিখিনি পদক্ষেপ লৈছে তাৰ সম্পৰ্কত আপোনাক এখন SOP দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনক জনাব বিচাৰিছো যে আমি প্ৰথমবাৰৰ বাবে মহিলা আৰু শিশু উন্নয়ন বিভাগে এখন SOP তৈয়াৰ কৰিছোঁ। আমি এই SOP ৰ জৰিয়তে বাকী বিভাগ বিলাক ইয়াৰ লগত জৰিত কৰিব পাৰিম। ইয়াৰ notification ১৬ নৱেম্বৰ দিয়া হৈছে। আমি SOP খনত যথেষ্টখিনি home work কৰিছিলোঁ, বিভিন্ন বিভাগৰ বিষয়া সকলক মাতি আনিছিলো, আমি ১৪ দিনীয়া এটা প্ৰশিক্ষণ শিবিৰ পাতিছিলো, তাত সকলো ধৰণৰ stake holder অন্তৰ্ভূক্ত কৰা হৈছিল। স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ, judiciary বা হাইকোৰ্টৰ জৰ্জসকলক, বা সমাজৰ সকলো ইয়াৰ লগত জৰিত ব্যক্তি, NGO সকলক জৰিত কৰিছিলোঁ। এইখিনি কৰাৰ পিছত এই আঁচনিখন তৈয়াৰ কৰা হৈছিলে। ইয়াৰ পিছত বিভাগে এখন policy নিৰ্ণয় কৰিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। আমি সেইখিনি কাম প্ৰথম বাৰৰ বাবে কৰিবলৈ আগবাঢ়িছো। যাৰ জৰিয়তে আমি আশা কৰিছোঁ যে SOP খন হোৱাৰ পিছত বাকীখিনি guide-line প্ৰস্তুত কৰিলে, তেতিয়া গোটেই বিভাগ বিলাকে এই কাম কৰিবলৈ সক্ষম হ'ব। ইতিমধ্যে শইকীয়া ডাঙৰীয়াই সমাজ কল্যাণ বিভাগৰ নিৰ্ভয় আঁচনিৰ কথা কৈছে, ইয়াৰ পিছত আপোনাক

সেইখিনি তথ্য সহকাৰে দাঙি ধৰিম।

ইয়াৰ পিছত माननीय অধ্যক্ষ মহোদয়, আপুনি crime against women ৰ যিটো data দিলে, সেইটো National Crime Bureau report ত যিখিনি পাইছে, সেইখিনি ২০২০ চনলৈ পাইছে। এইবাৰ ২০২২ চনলৈ আপুনি চাই, ইয়াৰ সংখ্যা আধা কমি গৈছে। ইয়াৰ কাৰণ বহুখিনি আছে। এটা সময়ত অন্যান্য ৰাজ্যৰ তুলনাত অসমত কি কাৰণে অপৰাধ বাঢ়িছে, ইয়াৰ এটা অধ্যয়ন কৰি গম পোৱা যায় যে আমাৰ মাজত awarness বাঢ়িছে। এটা সময়ত মানুহে মহিলা বা শিশুৰ ওপৰত নিৰ্যাতন হ'লে, থানালৈ কেছবিলাক দিবলৈ অহা নাছিল। এতিয়া ক্ৰমাগতভাৱে ইয়াৰ ওপৰত যথেষ্টখিনি সজাগতা বাঢ়িছে, তাৰ ফলতো থানা বিলাকত register কৰা কেছৰ সংখ্যা বাঢ়ি আছে। এই ক্ষেত্ৰত গৃহ বিভাগে যথেষ্টখিনি ব্যৱস্থা গ্ৰহণ কৰিছে। মই এটা উদাহৰণ দিব বিচাৰিছোঁ যে সক্ৰিয়তাৰ কথা কব বিচাৰিছোঁ যে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দৰং জিলাৰ ঘোলা অঞ্চলত এজনী বনকৰা কিশোৰীৰ হত্যা কাণ্ড হ'ল। তাত তেখেতে গম পালে যে সেই কিশোৰীজনীৰ মৃত্যুৰ তদন্ত ঠিক মতে হোৱা নাই। তেখেতে নিজে বনকৰা কিশোৰী গৰাকীৰ ঘৰত গৈ উপস্থিত হ'ল আৰু সেই দিনাই SP, Addl. SP, OC সকলোকে একেদিনাই বৰ্খাস্ত কৰিলে। সেই ঘটনাটো তেখেতে CID লৈ দিলে, CID য়ে ছয় সপ্তাহৰ পিছত তদন্তৰ report submit কৰিলে, বিষয়টো ইতিমধ্যে চলি আছে আৰু তেওঁলোকক গ্ৰেপ্তাৰ কৰি জেললৈও পঠিওৱা হৈছে। গতিকে অতি খৰতকীয়াকৈ কামখিনি কৰা হৈছে। গতিকে माननीय অধ্যক্ষ মহোদয়, চৰকাৰ অতি serious, এই ক্ষেত্ৰত আমাৰ কোনোধৰণৰ compromise কৰা নহয় আৰু এই ক্ষেত্ৰত সদনৰ সকলোৰে সক্ৰিয়তা কামনা কৰিছোঁ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মই माननीय মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছোঁ আৰু মুখ্যমন্ত্ৰী মহোদয়ক কেইটামান কেছৰ তৎপৰতা লোৱাৰ বাবে দোষীয়ে শাস্তি পাইছে, এইখিনি দেখিছোঁ। কিন্তু আমাৰ যিমান থানা আছে, প্ৰতিখনতে Woman Help Desk থাকিব লাগে, Woman officer থাকিব লাগে। মাত্ৰ ১১ খন থানাতহে এনেকুৱা হৈছে, যিটো সময়ত আমাৰ দুইশৰো অধিক আছে। one stop health centre, fast-track court মাত্ৰ ১৮ খন নে ১২খন মান জিলাত হৈছে বুলি কৈছে। এইখিনিও হ'ব লাগে। কাৰণ prosecution বহুত কম হৈছে। প্ৰায় ১১ শ কেছৰ ভিতৰত মাত্ৰ ২ শ কেছৰ final charge-sheet হৈছে বুলিও National Family Health Survey report তথ্য ওলাইছে আৰু Anti Human Traffiking Squad প্ৰতিটো জিলাতে হ'ব লাগে। আমাৰ গুৱাহাটীত Pink Bus দিছিলে, নিৰ্ভয়াৰ দিনত, এইবিলাক বন্ধ হৈ গ'ল এতিয়া। অন্য নগৰেও এই Pink Bus বিলাক দিব লাগে। Self Defence Centre মাত্ৰ দুখন জিলাত কৰা বুলি কোৱা হৈছে। কিন্তু অন্য জিলাতো এইখিনি কৰিব লাগে। আশা কৰো माननीয়া মন্ত্ৰী মহোদয়াই এইখিনি কৰাৰ আশ্বাস দিব।

**माननीय অধ্যক্ষ ঃ** माननीয়া মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওগ, (মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী) ঃ** माननीय অধ্যক্ষ মহোদয়, কিছুমান আঁচনি জিলা সাপক্ষে লৈছে। যেনেকৈ Self Defence ৰ কথা কৈছে। কামৰূপ আৰু ধেমাজী এই দুখন জিলাত লৈছোঁ। আৰু আমি কেন্দ্ৰীয় চৰকাৰক প্ৰস্তাৱ দিছো যাতে অন্যান্য জিলাসমূহক সাঙুৰি এই আঁচনিটো লয়।

**माननीय অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ইয়াৰ পিছৰ Supplementary শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** माननीय অধ্যক্ষ মহোদয়, নাৰীৰ বিৰুদ্ধে যি নিৰ্যাতন আৰু অপৰাধ

কৰাত অসম ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম। NCERT Report ত স্পষ্টকৈ কৈছে যে অসম নাৰী নিৰ্যাতনৰ ক্ষেত্ৰত প্ৰথমত আছে। ২৯০৪৪ টা ঘটনা সংঘটিত হৈছে, প্ৰতি ১ লাখ গৰাকীৰ নাৰীৰ ভিতৰত ১৬৮.৩ গৰাকী নাৰীৰ বিৰুদ্ধে এনেকুৱা ঘটনা সংঘটিত হৈছে। যৌতুকজনিত অপৰাধো সংঘটিত হৈছে। ...

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি প্ৰশ্নটো কৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিশুৰ বিৰুদ্ধে অপৰাধ সংঘটিত কৰাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত অসম নৱম স্থানত আছে। প্ৰধানমন্ত্ৰীয়ে অসমখনক ভাৰতৰ ভিতৰত প্ৰথম কৰিম বুলি কৈছিল। মুখমন্ত্ৰী মহোদয়েও প্ৰথম কৰিম বুলি কৈছিল। এতিয়া নাৰীৰ বিৰুদ্ধে নিৰ্যাতন, অপৰাধৰ ক্ষেত্ৰত অসম প্ৰথম স্থানত আছে। আমি প্ৰত্যেকটো ক্ষেত্ৰতে দেখিবলৈ পাইছো যে এই চৰকাৰ ব্যৰ্থ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি ভাষণ দিব নালাগে, প্ৰশ্নটো কৰক।

(সদনত হুলস্থূল..) আপুনি বহক, এজন সদস্য হিচাপে আপুনি জনাটো উচিত আৰু নিয়ম মানি চলাটো উচিত। (হুলস্থূল..) অখিল গগৈ ডাঙৰীয়া আপোনাক প্ৰশ্নকালৰ বাবে suspend কৰা হ'ল। Marshal ক নিৰ্দেশ দিয়ে যে অখিল গগৈ ডাঙৰীয়াক সদনৰ বাহিৰলৈ উলিয়াই নিয়াৰ বাবে।

ইয়াৰ পিছৰ প্ৰশ্ন নং ২, মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীমতী অজন্তা নেওগ, (মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহিলা আৰু শিশুৰ বিকাশ বিভাগৰ মন্ত্ৰী মহোদয়াক মই বিশেষভাৱে আহ্বান জনাব বিচাৰিছো যিহেতু অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে শিশুসকলৰ বাবে বাৰ্ষিক বিত্তীয় মঞ্জুৰী সময়মতে দি আহিছে আৰু পুষ্টিকৰ খাদ্য চৰাই দেউ জিলাৰ সমাজ কল্যাণ বিভাগেও সুচাৰুৰূপে বিতৰণ কৰি আহিছে, যদিও এই ক্ষেত্ৰত অলপ পৰ্য্যবেক্ষণ কৰাৰ প্ৰয়োজন আছে বুলিও মই অনুভৱ কৰিছোঁ। গতিকে মই নিজে লগতে বিভাগীয় বিষয়া সকলে তদাৰক কৰাৰ উপৰিও মন্ত্ৰী মহোদয়াৰ ফালৰ পৰা আমাৰ জিলালৈ গৈ সমাজ কল্যাণ বিভাগৰ কাম সমূহৰ এক পৰ্য্যালোচনা কৰাৰ লগতে দিহা- পৰামৰ্শ বিচাৰিছোঁ। আশা কৰো মাননীয়া মন্ত্ৰী মহোদয়াই মোৰ অনুৰোধ গুৰুত্বসহকাৰে ল'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ, (মহিলা আৰু শিশু বিকাশ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক কোঁৱৰ ডাঙৰীয়াই যিটো প্ৰশ্ন সুধিছে যে অঙ্গনবাড়ী কেন্দ্ৰবিলাক যিখিনি সামগ্ৰী আহে, সেই সামগ্ৰী বিলাকক তদাৰক কৰিব লাগে। ইতিমধ্যে প্ৰত্যেক গৰাকী বিধায়কৰ সমষ্টিৰ যিমান বিলাক অঙ্গনবাড়ী কেন্দ্ৰ আছে, তাত এখন অঙ্গনবাড়ী মেনেজমেন্ট কমিটি আছে। তাত কিছু সদস্যই মেনেজমেন্ট কমিটিখন পৰিচালনা কৰে। সেই মেনেজমেন্ট কমিটিৰ দায়িত্বতে গোটেইখিনি থাকে। খাদ্য সমাগ্ৰী বিলাক তদাৰক কৰা আদি মেনেজমেন্ট কমিটিৰ দায়িত্ব থাকে। গতিকে মই বিধায়ক ডাঙৰীয়াকো অনুৰোধ জনাইছোঁ যে আপুনি যিহেতু Vigilance & Monitoring Committee ৰ সভাপতি, গতিকে আপুনি সেই কেন্দ্ৰ বিলাকৰ তদাৰক কৰিব পাৰে। মই আপোনাক এইটোৱে assurance দিছো যে আপোনাৰ সমষ্টিলৈ মই নিজে গৈ review কৰি আহিম।

**माननीय अध्यक्ष ঃ** ধন্যবাদ। এতিয়া supplementary question, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অৰুণাচল প্ৰদেশ আৰু অসম তিনি নম্বৰ হয়। অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো এনেকুৱা আছিল যে, আমাৰ কৰিমগঞ্জৰ Specialise adoption center আছিল শিশুৰ ক্ষেত্ৰত। এইটো renewal ৰ কাৰণে যোৱা হৈছিল। এবছৰ হৈছে। আজিলৈকে renewal হোৱা নাই।

**শ্ৰীমতী অজন্তা নেওগ, (সমাজ কল্যাণ মন্ত্ৰী) ঃ** আপুনি এটা প্ৰশ্ন কৰিব, মই উত্তৰটো দি দিম। কিন্তু এইটো খাদ্য সামগ্ৰীৰ প্ৰশ্ন।

**শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** তথাপিও এবছৰ হৈছে এইটো renewal হোৱা নাই, অলপ চাব লাগে।

**माननীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং - ৩ শ্ৰীভৰত চন্দ্ৰ নৰহ।

**শ্ৰীমতী অজন্তা নেওগ, (সমাজ কল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নাওঁবৈচা বিধান সভা সমষ্টিত মডেল অঙ্গনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিবৰ কাৰণে যোৱা মাৰ্চ মাহতে আপুনি আমাৰ পৰা নাম লৈছিল কিন্তু আজিৰ তাৰিখলৈকে তাত নিৰ্মাণ কাৰ্য্যৰ কোনো অগ্ৰগতি হোৱা নাই। মাত্ৰ ১০ খনৰ ভিতৰত এখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু এখন under construction হৈ আছে। বাকী বিলাকৰ একো হোৱা নাই। মাটি আছে নে তথ্যপাতি বিচৰা হৈছে। মই সুধিব বিচাৰিছো যে, তাৰ কাৰণে কিবা টাৰ্গেট আছে নে নাই যে গোটেই মডেল অঙ্গনবাড়ী কেন্দ্ৰ বিলাকৰ নিৰ্মাণ কেতিয়া আপোনালোকে সম্পূৰ্ণ কৰিব।

**माननীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়া।

**শ্ৰীমতী অজন্তা নেওগ, (সমাজ কল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমি একোখন construction committee কৰি দিছিলো প্ৰত্যেকটো অঙ্গনবাড়ী কেন্দ্ৰ হিচাপে। সেই construction committee বিলাকে এই কামবিলাক সম্পূৰ্ণ কৰিব লাগে। প্ৰথম পৰ্য্যায়ত আমাৰ প্ৰায় ৯০ শতাংশই কামবিলাক সম্পূৰ্ণ হৈছে বা কিছু দুই এটা কাম চলি আছে। কিন্তু আপোনাৰ সমষ্টিৰ যিখিনি সুধিছে, সেইখিনি দ্বিতীয় পৰ্য্যায়ৰ। এই 2nd phage ত আপোনাক মই যিকেইটা নাম দিছো। 2nd phage ত RIDF ৰ পৰা মাত্ৰ অনুমোদন আহিছেহে। সেইখিনি অনুমোদন আমি পাইছো কিছুদিনৰ আগতে। 1st phage ত আমি ৯৯৯ টা দিছিলো।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** প্ৰথম 1st phage ৯ খনৰে এখন সম্পূৰ্ণ হৈছে আৰু এখন চলি আছে under construction. বাকী বিলাকৰ কেৰল মাটি আছে নে নাই তাৰ চিঠি পত্ৰ চলি আছে।

আজি এবছৰেই হ'ল।

**শ্ৰীমতী অজন্তা নেওগ, (সমাজ কল্যাণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় জ্যেষ্ঠ বিধায়ক ডাঙৰীয়াই যিহেতু প্ৰশ্ন সদনত উত্থাপন কৰিছে মই definately এই কামখিনি কিমান হৈছে অগ্ৰগতিৰ সম্পৰ্কে বিষয়াক পঠিয়াই কামখিনি চোৱা-চিতা কৰাম।

**माननীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Construction Committee ৰ কথা বাইদেউৱে উল্লেখ কৰিছে। মই জানিব বিচাৰিছো যে, তেতিয়াটো construction com-

mittee যেতিয়া আমাৰ দুটা বা দহটা কাৰোবাক ১৪ টা এনেকুৱাকে দিয়া হৈছিল, এটা construction committee গোটেই সমষ্টি হিচাপে দিয়া হৈছিল নে প্ৰতিটো কেন্দ্ৰ অনুযায়ী দিয়া হৈছিল। যদি প্ৰতিটো সমষ্টি অনুযায়ী এটা construction committee দিয়া হৈছে, পচিশ লাখ টকাৰ কাম তেওঁলোকে দহটা কাম একেলগে লৈছে মানে আঢ়ৈ কোটি টকাৰ এটা পেকেজ। মই ভাৰো যে, অনাগত সময়ত এই construction committee অঙ্গনাবাড়ী কেন্দ্ৰ হিচাপে দিয়া হ'ব নে গোটেইখিনি মিলি দিয়া হ'ব। আমি আশা কৰিম যে, চৰকাৰে কেন্দ্ৰ হিচাপে দিয়াৰ বিবেচনা কৰিব আৰু এইক্ষেত্ৰত সেই সমষ্টিৰ বিধায়কসকল থাকিব নে নাই এইক্ষেত্ৰত মন্ত্ৰী মহোদয়াই জনাব লাগে।

**শ্ৰীমতী অজন্তা নেওগ, (সমাজ কল্যাণ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম পৰ্য্যায়ত আচলতে অকণমান আমাৰ ভুল বুজাবুজি হৈছিল। কাৰণ আমি যিটো ন'টিফিকেশ্যন দিছিলো, Deputy Commissioner সকলে যিমান টা দিছিলো তাৰ এখন কমিটি কৰি দিছিল আৰু সেইখিনি কথা যেতিয়া বিধায়কসকলে মোৰ দৃষ্টিগোচৰ কৰালে, তেতিয়া মই লগে লগে ন'টিফিকেশ্যনখন amendment কৰিছো, সলাই দিছো। আপুনি হয়তো অৱগত নহয়। তাৰপিছত আমি যিমান কাম কৰিছো অঙ্গনবাড়ী কেন্দ্ৰৰ লেভেলত কাম কৰিছো। মই যোৱাবাৰ বিধায়কসকলকো কৈছো যে, মুঠ আমি প্ৰত্যেক বছৰে আমি তিনি হাজাৰকৈ অঙ্গনবাড়ী কেন্দ্ৰ নতুনকৈ বনোৱাৰ চিন্তা- চৰ্চা কৰিছো আৰু তাত সকলো সমষ্টিয়ে অন্তৰ্ভূক্ত হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং- ৪ শ্ৰী আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (পৰ্য্যটন মন্ত্ৰী )ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অভয়াপুৰী উত্তৰ সমষ্টিৰ অন্তৰ্গত কাকৈজানা গাঁও পঞ্চায়তৰ উজান ৰাভা পাৰা গাঁৱত দুষ্প্ৰাপ্য সোণালী বান্দৰ পোৱা যায় আৰু সেই সোণালী বান্দৰ উদ্দেশ্য কৰি তাতে এটা পৰ্য্যটনস্থলী গঢ় উঠিছে আৰু চৰকাৰে এই বিষয়ত অবগত বুলি উত্তৰ দিছে আৰু মাননীয় মন্ত্ৰী মহোদয়ক মই ব্যক্তিগতভাৱে দুবাৰ লগ ধৰিছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যোৱা ৫ তাৰিখত মেম'ৰেণ্ডাম দিছো বঙাইগাঁৱৰ ভ্ৰমণকালত যে তাৰে আন্তঃগাঁথনি উন্নয়ন কৰি ৰাভা জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যাতে আত্মনিয়োগৰ এটা সুযোগ দিয়ে, Self Employment সৃষ্টি কৰাৰ এটা সুযোগ দিয়ে। তাৰবাবে মন্ত্ৰী মহোদয়ে বিশেষভাৱে কিবা বিবেচনা কৰিব নেকি? প্ৰথমতে উত্তৰ বিচাৰিছো। দুয়োটা পৰিপূৰক প্ৰশ্ন মই একেলগে সুধি দিছো আৰু সেই অঞ্চলত বহুত বৈদ্যুতিক তাঁৰ গৈছে, তাতে সেই বান্দৰবিলাকৰ সুৰক্ষাৰ ক্ষেত্ৰত অলপ ভাবুকিৰ সৃষ্টি কৰিছে। সেই ক্ষেত্ৰত APDCL ক যাতে আমাৰ পৰ্য্যটন বিভাগৰ ফালৰ পৰা তেওঁলোকৰ লগত কথাখিনি টেকআপ কৰা হয়। সোণালী বান্দৰখিনি সুৰক্ষা যাতে সু-নিশ্চিত হয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (পৰ্য্যটন মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাকৈজানা সংৰক্ষিত বনাঞ্চলৰ যিটো কথা কৈছো নিশ্চয়কৈ আমাৰ বিভাগে গুৰুত্বসহকাৰে লৈছে। মই নিজে অধ্যক্ষ থাকোতে তালৈ গৈছিলো আৰু এতিয়া প্ৰায় ৫ শ সোণালী বান্দৰ আছে যিটো সচাঁকৈ বিৰল প্ৰজাতি আৰু ৫৭ টা পৰিয়াল আছে বুলি আমাৰ হাতত তথ্য আছে আৰু তাত আমি ইতিমধ্যে যদিও কাকৈজানাত একেবাৰে সোণালী বান্দৰ য'ত আছে, সেই স্থানত আমি কোনো Tourism infrastructure

বনোৱা নাই। তাৰ ১৬ কিলোমিটাৰ দূৰত আমাৰ বঙাইগাঁও জিলা সদৰত এটা Tourist lodge আছে আৰু যোৱাবাৰ আমি তাত এনেকুৱা যিবিলাক নতুন Tourist destination, য'ত এনেকুৱা ধৰণে commercial hotel বা lodge viable নহয় , তাৰ কাৰণে আমি এটা Homestay scheme আনিছিলো আৰু এই Homestay ৰ জৰিয়তে তাত আমি কাকৈজানাৰ সোণালী বান্দৰৰ ঠাইত Homestay ও দিছো আৰু আমি আশা ৰাখো যে তাৰ যিবিলাক local entrepreneur যদি ওলাই আহে তেওঁলোকক আমি Homestay দি চলাবৰ কাৰণে আমাৰ কোনো অসুবিধা নাই, আমাৰ আঁচনি আছে। আমাৰ আলহী নামৰ যিখন আঁচনি আছে, তাৰ জৰিয়তে Homestay দিব পাৰো। কিন্তু কথাটো হ'ল যে তাত immediatly infrastructure hotel ইত্যাদি commercialy viable নহয়। কাৰণ তেনেকুৱা ধৰণৰ tourist এতিয়ালৈকে যোৱা আৰম্ভ হোৱা নাই। কিন্তু এইটো এটা অত্যন্ত Tourist destination ৰ সম্ভাৱনা থকা, কাৰণ তাত প্ৰায় চল্লিছটা প্ৰজাতিৰ পখিলাই আছে আৰু বিভিন্ন ধৰণৰ পাৰ্কোপাইন, শহাপহু, গাহৰি, নাহৰ ফুটুকী বাঘ, চিঙাল, চিনাপেঙ্গুলিন, চিমেট মেকুৰী এনেকুৱা ধৰণৰ যথেষ্ট জীৱ-জন্তু আছে যিবিলাকে অত্যন্ত আকৰ্ষণ কৰাৰ সম্ভাৱনা আছে। গতিকে মই বিধায়ক ডাঙৰীয়াকো অনুৰোধ কৰিম যে আমাৰ ফালৰ পৰা কোনো অসুবিধা নাই। তাত local entrepreneur ওলাই দিয়ক। আমি যাতে Homestay দিব পাৰো। যাতে তাতকৈ মানুহে initialy অন্তত Homestay ৰ যদি এটা tourism destination develop হওঁক আৰু destination যেতিয়া বেছিকৈ develop হ'ব তেতিয়া তাত নিজে নিজে hotel হ'ব আৰু এইটো সঠিক যে ১৬ কিলোমিটাৰ দূৰত্বত বঙাইগাঁৱত আমাৰ নিজৰ এটা tourist lodge আছে আৰু বঙাইগাঁও বহুকেইটা প্ৰাইভেট খণ্ডৰো বিভিন্ন ধৰণৰ tourism বা লোক গ'লে থাকিব পৰা infrastructure গঢ়ি উঠিছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (উত্তৰ অভয়াপুৰী) ঃ** দ্বিতীয় পৰিপূৰকৰ প্ৰশ্ন উত্তৰটো দিয়া নাই। সোণালী বান্দৰৰ সুৰক্ষাৰ ক্ষেত্ৰত বৈদ্যুতিক তাঁৰৰ ব্যৱস্থাটো কাৰণে কি কৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (পৰ্য্যটন মন্ত্ৰী) ঃ** নিশ্চয়কৈ এই কথাটো মই পৰ্য্যটন বিভাগৰ অধ্যক্ষ হৈ থাকোতে সেই সময়ত আমি APDCL ৰ লগত যোগাযোগ কৰিছিলো। ইতিমধ্যে তাত যি সমূহ তাঁৰ আছে সেইবিলাক আমাৰ যি covered তাঁৰ থাকে, তেনেকুৱা তাঁৰেই লগাইছে আমাৰ আগ্ৰহ থাকিব যে আপুনি যিটো কথা ক'লে মই ব্যক্তিগতভাৱে APDCL লৈ আৰু এখন চিঠি লিখিম বা আমাৰ মন্ত্ৰী ডাঙৰীয়ানীও উপস্থিত আছে। ইতিমধ্যে কিন্তু সোণালী বান্দৰ থকা ঠাইখিনিত আমাৰ যি covered cable line থাকে, সেই cable line টো লগোৱা হৈছে।

**माननीয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আব্দুল ৰহিম আহমেদ। কেৱল কাকৈজানাৰ ওপৰত ক'ব।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক প্ৰশ্নক লৈ আমাৰ বৰপেটা সমষ্টিৰ কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি নিজৰ সমষ্টিৰ কথা ক'ব নোৱাৰে। আপুনি কাকৈজানা সমষ্টিৰ সম্পৰ্কে প্ৰশ্ন কৰক।

এতিয়া পৰৱৰ্তী প্ৰশ্ন।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যদিও মোৰ সমষ্টিৰ কথা কৈছো, এইটো কেৱল মোৰ সমষ্টিৰ কথা নহয়। এইটো গোটেই অসমবাসীৰ সমস্যা। বহু ঠাইত বান্দৰ আৰু মানুহৰ এনেকুৱা সমস্যা হয়। মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা জনাব বিচাৰো যে বান্দৰসমূহক অভয়াৰণ্য বা তেনেকুৱা কোনো ঠাইত ৰখাৰ ব্যৱস্থা কৰিলে ভাল হয়................

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আপোনাৰ কথা মাননীয় মন্ত্ৰী মহোদয়ে বুজি পাইছে।

**ড° অমিয় কুমাৰ ভূএগ, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বহুদিন পিছত এজন দক্ষতাপূৰ্ণ তথা সংবেদনশীল মন্ত্ৰী পাইছো। তেখেতৰ পৰা জানিব পাৰিছো যে যিবোৰ সমষ্টিত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান নাই, সেইবোৰ সমষ্টিত ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান পাতিবৰ বাবে চিন্তা কৰি আছে। তেখেতে আমাৰ লখিমপুৰ সমষ্টিলৈ আহোঁতে মই অনুৰোধ কৰিছিলো যে আমাৰ বিহপুৰীয়া সমষ্টিত এনেকুৱা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান নাই আৰু তাত স্থাপন কৰিব লাগে। তেখেতে এইক্ষেত্ৰত সহমত প্ৰকাশ কৰিছে। মই আশা ৰাখিম যে আগন্তুক বিত্তীয় বৰ্ষত আমি তেনে এখন প্ৰতিষ্ঠান পাম আৰু একেলগে যাতে আমি ব্লকে ব্লকে এই প্ৰশিক্ষণ আয়োজন কৰিব পাৰো। এতিয়া স্ব-নিয়োজনৰ বাবে স্কীল ডেভলপমেণ্ট প্ৰগ্ৰেম লোৱা হৈছে। এনেকুৱা প্ৰগ্ৰেম ইয়াত কি লোৱা হৈছে, আমি জানিব পৰা নাই। সেয়েহে তেনেকুৱা প্ৰগ্ৰেমবোৰ আমি স্ব-নিয়োজনৰ বাবে আশা কৰিছো। তেখেতে সময় সাপেক্ষে আৰু সময় নিৰ্দ্ধাৰিতভাৱে সেই প্ৰগ্ৰেমসমূহ আয়োজন কৰি যুৱক-যুৱতীসকলৰ দক্ষতা বৃদ্ধি কৰি স্ব-নিয়োজনৰ সু-নিশ্চিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য অমিয় কুমাৰ ভূএগ ডাঙৰীয়াই খুব সুন্দৰ প্ৰশ্ন এটা কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত কেৱল তেওঁৰ সমষ্টিৰেই নহয়, প্ৰত্যেকটো ব্লকতে যাতে ITI হ'ব পাৰে তাৰ পৰিকল্পনাৰে আমি আগবাঢ়িছো। কাৰণ কাৰিকৰী শিক্ষা বা Skill Education আমাৰ এটা সম্ভাৱনাপূৰ্ণ দিশ য'ত আমি যথেষ্ট সংখ্যক আত্মসংস্থাপন দিব পাৰো। সেইকাৰণে আমি যিসমূহ ঠাইত Private ITI Entrepreneur সকলে চলাই আছে, তেখেতসকলৰ লগত আমি কেইদিনমান আগতে সভা অনুষ্ঠিত কৰিছো আৰু তেখেতসকলেও আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে যি ঠাইতে মাননীয় বিধায়কসকলে আগ্ৰহ প্ৰকাশ কৰে আমি তেনেকুৱা ঠাইত ITI বনাবলৈ সাজু আছো। ইতিমধ্যে যোৱা পৰহিও আমি মাননীয় শিক্ষা মন্ত্ৰীৰ লগত সভা আয়োজিত কৰিছো। যি সমূহ হাইস্কুল এমালগেমেশ্যনত ফ্ৰী হৈ গৈছে তেনেকুৱা হাইস্কুলৰ আন্তঃগাঁথনিসমূহ আমাক দিবৰ বাবে আমি আগ্ৰহ প্ৰকাশ কৰিছিলো। তাত আমি PPT Model ত ITI স্থাপন কৰিম। Private ITI Entrepreneur সকল সাজু হৈ আছে। আমাৰ আন্তঃগাঁথনিও বহু স্কুলত আছে। অতি কম দিনৰ ভিতৰত নতুনকৈ ITI স্থাপন কৰিম। মোৰ সকলো মাননীয় বিধায়কসকললৈ অনুৰোধ থাকিব যে য'ত তেওঁলোকে এনেকুৱা ITI স্থাপন কৰিব বিচাৰে বা য'ত এমালগেমেশ্যনত এনেকুৱা স্কুল খালী হৈ থকাৰ তথ্য দিব পাৰে আমি ITI স্থাপন কৰিবৰ বাবে আগবাঢ়িম। দ্বিতীয়তে, মই আৰু এটা অনুৰোধ কৰিব বিচাৰো যে আমাৰ যিখিনি Skill Education ৰ ট্ৰেইনিং চলি থাকে, বহু সংখ্যক বিধায়কে গম নাপায়। ক'ৰবাত T.P. বোৰৰ জৰিয়তে তিনি মাহ, পঞ্চল্লিছ দিনৰ ট্ৰেইনিং চলি থাকে। বিধায়কসকলক হয়তো চৰকাৰীভাৱে involvement কৰোৱা নহয় বা বিধায়কসকলেও গম নোপোৱা পৰিৱেশত থাকে। সেই কাৰণে, মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সকলো বিধায়কক যোৱা কালি North East Skill Center লৈ আহিবৰ বাবে আমন্ত্ৰণ জনাইছো। তাত দুপৰীয়া খোৱাবো ব্যৱস্থা কৰিছো। আমি North East Skill Center টো কেনেকৈ কৰিছো আৰু Skill development ৰ কেনেকুৱা ধৰণৰ আঁচনি কৰিছো সেইবোৰ চাব পাৰিব। আমাৰ চলি থকা আঁচনি আৰু নতুনকৈ

সংযোজন কৰিব বিচৰা আঁচনি সম্পৰ্কে আমি জানিব পাৰিম। আমি এতিয়া Traditional Skill আৰু নতুন নতুন সংযোজনৰ জৰিয়তে Skill Development Department ৰ দ্বাৰা আত্মনিয়োজনৰ সুবিধা পাব পাৰে তাৰ পৰিকল্পনা আমি কৰিছো। এটা স্কীল যাত্ৰা আমি কৰিব বিচাৰিছো। প্ৰত্যেকটো স্কুলৰ হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰীত IX, X, XI আৰু XII ক্লাচত আমি awareness create কৰিব পাৰো। তেওঁলোকে যাতে Skill Education ত আগ্ৰহ প্ৰকাশ কৰে। আমাৰ ITI সমূহত এনেকুৱা এটা পৰিৱেশ সৃষ্টি কৰিব বিচাৰিছো যে তেওঁলোকে জেনেৰেল এডুকেশ্যন নাপালে ITI পঢ়ে, সেইটো সলনি কৰিব বিচাৰিছো। Skill Education ক অগ্ৰাধিকাৰ দিয়াৰ বাবে আপোনালোকৰো সহায়-সহযোগিতা বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই ক'ব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বহু কথাই উল্লেখ কৰিছে। কিন্তু সংস্থাপন আৰু স্ব-নিয়োজনৰ বাবে যিসমূহ প্ৰতিষ্ঠানৰ দ্বাৰা যুৱক-যুৱতীসকলক কৌশলৰ ট্ৰেইনিং দিয়া হয়, সেই ট্ৰেইনিং ব্যৱস্থা পূৰ্বৰ পৰাই চলি আছে। কিন্তু সেই ট্ৰেইনিং ব্যৱস্থাই কিমান কামত দিছে বা সেই ট্ৰেইনিং ব্যৱস্থাৰ জৰিয়তে কিমান যুৱক-যুৱতীয়ে কিমান সংস্থাপন পাইছে, নিশ্চিতভাৱে সেই তথ্য সন্তোষজনক নহয়। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে, যিসমূহ সংস্থাক এই ট্ৰেইনিং দিয়াৰ বাবে নিবিদা গ্ৰহণ কৰি দায়িত্ব দিয়া হয়, সেই সংস্থাসমূহৰ কিমান ট্ৰেইনিং দিয়াৰ অৰ্হতা আছে, এই বিষয়ে বিভাগে চোৱাচিতা কৰিব লাগে। নহ'লে তেওঁলোকে এইটো এটা টকা ঘটাৰ কৌশল কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, দক্ষতা আৰু নিয়োগ আৰু উদ্যমিতা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্যজনে যিখিনি কথা কৈছে, আমি সেইক্ষেত্ৰত যথেষ্ট কঠোৰ হৈছো। আমাৰ T.P. সকলৰ গোটেই Monitoring টো Sector Skill Monitoring Council ৰ জৰিয়তে হৈ থাকে। কিন্তু তথাপিতো এইটো সন্তোষজনক নহয় বুলি আমাৰ হাতত তথ্য আছে। আমাৰ সৌভাগ্যৰ কথা যে আমি এখন Skill University কৰিছো আৰু ইতিমধ্যে Skill University ৰ উপাচাৰ্য্য নিযুক্তি হ'ল। Skill University ৰ অধীনত যাতে ইয়াৰ এটা Regulation আহিব পাৰে। কাৰণ সকলো শিক্ষা ব্যৱস্থাতে ক'ৰবাত নহয় ক'ৰবাত Regulating Authority এখন আছে। যেনেকৈ SEBA, Council আদি আছে। Skill Education ৰ Regulating Authority আমাৰ নাই বুলি ক'লেও ভুল নহ'ব। সেয়েহে আমি Assam Skill University ৰ অধীনত এটা Regulating Authority কৰিব বিচাৰিছো। যিয়ে Skill Education টো সম্পূৰ্ণভাৱে তত্বাৱধানত থাকিব। মই আপোনাৰ অভিযোগখিনি সম্পূৰ্ণভাৱে অসত্য বুলি নকওঁ। সেইক্ষেত্ৰত Skill University খনে দায়িত্ব বহন কৰিব। University খন আৰম্ভ হৈছে, উপাচাৰ্য্য ইতিমধ্যে নিয়োগ হৈছে আৰু লাহে লাহে কামবোৰ আৰম্ভ হ'ব। Skill University এখন সুন্দৰ Regulating Authority আহিছে আৰু সুন্দৰকৈ কামবোৰ হ'ব বুলি আশা ৰাখিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শিৰামণি বৰা ডাঙৰীয়ানীয়ে কওঁক।

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সমাজ কল্যাণ বিভাগৰ

মন্ত্ৰী মহোদয়াই অসমৰ মহিলা আৰু শিশুসকলৰ সমবিকাশ নিবিচাৰে নেকি ? মই এটা প্ৰশ্ন কৰিছিলো যে কি ক্ৰাইটেৰিয়াৰ ভিত্তিত আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহ নিৰ্মাণৰ বাবে অনুমোদন দিয়া হয় ? তেখেতে উত্তৰ দিছে যে আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহ জিলাভিত্তিত প্ৰয়োজনীয়তাৰ ওপৰত অগ্ৰাধিকাৰ দি আবণ্টন দিয়া হয়। চাহ বাগিচা অধ্যোষিত আৰু অতিকৈ পিচপৰা অঞ্চলৰ শিশু আৰু মহিলাসকলৰ স্বাস্থ্য বিকাশৰ বাবে অংগনবাড়ী কেন্দ্ৰসমূহ নিৰ্মাণ কৰা হৈছে। আমাৰ তাত চাহ বাগিচা নাই। কিন্তু বটদ্ৰৱা সমষ্টিৰ মহিলা আৰু শিশুসকল এনে কি স্বাস্থ্যবান বা উন্নত হৈ গ'ল যে ২০২১-২২ বৰ্ষত যি অংগনবাড়ী কেন্দ্ৰসমূহ বিৰোধী পক্ষৰ বিধায়ক থকা সমষ্টিত দুটা আৰু শাসক পক্ষৰ বিধায়ক থকা সমষ্টিত পোন্ধৰটা দিয়া হৈছে। আমাৰ মাননীয় মন্ত্ৰী গৰাকী আগতে বহুবাৰ এইটো বিভাগৰে মন্ত্ৰী আছিল। কিন্তু সেই সময়ত এনেকুৱা বৈষম্য হোৱা নাছিল। ২০২২-২৩ বৰ্ষত অংগনবাড়ী কেন্দ্ৰসমূহ নিৰ্মাণ কৰোতে এনেকুৱা বৈষম্য দূৰ কৰা হ'ব নে ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়াই উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, বিত্ত, মহিলা আৰু শিশু উন্নয়ন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা সদন আৰু তাৰ আগৰ সদনতো আপোনালোকে এই বিষয়ে প্ৰশ্ন কৰিছে আৰু মই উত্তৰ দি আহিছো। আমাক কিছু সময় লাগিব। কাৰণ Rome was not built in a day. কাৰণ ৬১ হাজাৰ অংগনবাড়ী কেন্দ্ৰ যি অৱস্থাত আছিল, আমি সকলোৱে দেখিছো। মোক কিছু সময় দিব লাগিব। মই যোৱাবাৰ কৈছিলো যে এইবাৰ 2nd Phase, 3rd Phase ত আহি আছে। এইবাৰ ১৫ হাজাৰ অংগনবাড়ী কেন্দ্ৰ থাকিব। আপোনালোকে জানি ভাল পাব যে আমি কেৱল আঠশ খন অংগনবাড়ী কেন্দ্ৰ অসমৰ চাহ বাগিচাসমূহৰ বাবে লৈছো। আমি সকলোতে সমভাৱে ৰাজ্যখনক সামৰি ল'ব বিচাৰিছো। ইয়াৰ বাবে আমাক কিছু সময় লাগিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অংগনবাড়ী কেন্দ্ৰসমূহৰ মডেল, চেণ্টাৰ বিল্ডিং ইত্যাদিৰ বিষয়ে আলোচনা কৰি আছো। কিন্তু এই চেণ্টাৰসমূহত যিসকল কৰ্মী আৰু সহায়িকাই কাম কৰে, তেওঁলোকৰ মাননি অতি কম। তেওঁলোকে ৰাতিপুৱাৰ পৰা প্ৰায় এক বজালৈ সৰু সৰু ল'ৰা-ছোৱালীসকলক পঢ়ায় আৰু তেওঁলোকক অন্যান্য কামতো নিয়োগ কৰা হয়। তেওঁলোক "বেটী বচাওঁ আৰু বেটী পঢ়াওঁ" ৰো এটা অংশ হয়। তেওঁলোকক চাৰে চাৰি হাজাৰৰ পৰা চাৰে ছয় হাজাৰ টকা দিয়া হয়। তেওঁলোকক কেৱল নূন্যতম মজুৰি হিচাপ কৰিলে নহয়। আমি বিভিন্ন শিতানত বহুজনক নিবিচাৰাকৈ বহু টকা দিওঁ। কিন্তু এই সকলে সৰু সৰু ল'ৰা-ছোৱালীক মানৱ সম্পদ গঢ়াৰ বাবে বহু বৰঙণি আগবঢ়াই আহিছে। মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰ'গ্ৰামৰ পৰা আৰম্ভ কৰি আমি বিভিন্ন কামত নিয়োগ কৰো। গতিকে তেওঁলোকৰ মাননি বঢ়াব লাগে আৰু তেওঁলোকেও উপযুক্ত মাননি পাব লাগে।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি) ঃ** আপোনালোকে অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব যে মই এই বিভাগটোৰ দায়িত্ব লোৱাৰ পিছতেই আমি দুটা সিদ্ধান্ত প্ৰথমে গ্ৰহণ কৰিছিলো। প্ৰথম সিদ্ধান্তটো হ'ল যে মডেল অংগনবাড়ী চেণ্টাৰ বনাব লাগে আৰু দ্বিতীয় সিদ্ধান্তটো হ'ল অংগনবাড়ী চেণ্টাৰৰ সকলো কৰ্মী বা সহায়িকাক retirement benefit দিয়া হ'ব। আমি প্ৰথমখন Review Meetingতে এই সিদ্ধান্তটো গ্ৰহণ কৰিছিলো। অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব যে এতিয়াৰ পৰা সকলো অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলে retirement benefit পাব। ইয়াৰোপৰি, ডাঙৰ অংগনবাড়ী কেন্দ্ৰসমূহক

৩-৪ লাখ টকা, সৰু অংগনবাড়ী কেন্দ্ৰসমূহে ২-৩ লাখ টকাকৈ terminal benefit পোৱাৰ বাবে আমি ঠিক কৰিছো। এইবাৰ প্ৰায় ৪০ কোটি টকা এই বাজেটত ৰাখিছো আৰু কিছু পুঁজি হয়তো আমি তেওঁলোকক মোকলাই দিম। আমি সিদ্ধান্ত লৈছো যে প্ৰত্যেক বছৰে প্ৰায় ১০০ কোটি টকাৰ terminal benefit অংগনবাড়ী কেন্দ্ৰসমূহত তথা কৰ্মীসকলক দিয়াৰ ব্যৱস্থা চৰকাৰখনে কৰিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ০৭। কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, বৰাকৰ ৰাজহ কিমান earn হয়, সেই তথ্যখিনি পালো। কিন্তু, মোৰ কথাটো হ'ল যে আজিলৈ ৭ টা Pay Commission হৈছে। আমি যদি চাওঁ ১৯৬৪, ১৯৭৩, ১৯৭৯, ১৯৮৮, ১৯৯৪, ২০০৮ আৰু ২০১৬ ত Pay Commissionহৈছে। অধ্যক্ষ মহোদয়, দহ বছৰৰ মূৰে মূৰে হোৱা এই Pay Commission সমূহৰ effect date সমূহ যদি চাওঁ, তেন্তে প্ৰত্যেকটো Pay Commission ৰে effect date ০১-০১ ৰ কৰা হৈছে। কিন্তু, ২০১৬ ৰ Pay Commission ৰ effect date ০১-০৪ ৰ পৰা হৈছে। সেয়েহে, মোৰ মন্ত্ৰী মহোদয়লৈ প্ৰশ্ন যে কি কাৰণত effect date ০১-০৪ৰ পৰা কৰা হ'ল ? অৰ্থৰ নাটনি হৈছে নেকি ? দ্বিতীয়তে অধ্যক্ষ মহোদয়, ৰাজস্থান, ছত্তীশগড়, পঞ্জাৱ, হিমাচল প্ৰদেশে OPS লাগু কৰিছে। কিন্তু, আমাৰ ৰাজ্যই এতিয়ালৈকে কিয় কৰিব পৰা নাই ? .....interruptions......

**মাননীয় অধ্যক্ষঃ** আপুনি কি বিচাৰে প্ৰশ্নটো কৰক।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, বিধায়কসকলে পেঞ্চন ল'ব পাৰিছো কিন্তু অসমৰ কৰ্মচাৰী ....interruptions......

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰশ্নটো কৰক, মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অন্যান্য ৰাজ্যই যদি OPS দিব পাৰে, তেন্তে আমাৰ ৰাজ্যই কিয় OPS দিব নোৱাৰে ?

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে এই প্ৰশ্নটো বহুদিনৰ পৰাই কৰি আহিছে। মই ৰেকৰ্ডত পাইছো। তথাপিও মই আপোনাক গোটেইখিনি কথা কৈছোৱেই যে সকলো দিশ পৰ্যালোচনা কৰি কেবিনেট সমিতিৰ সিদ্ধান্ত মৰ্মে সপ্তম অসম দৰমহা আৰু উৎপাদনশীল দৰমহা আয়োগৰ কাৰ্য্যকৰীকৰণ ইং ০১-০৪-২০১৬ৰ তাৰিখৰপৰা কৰা হৈছে। কিন্তু, অধ্যক্ষ মহোদয়, অসম দৰমহা আৰু উৎপাদনশীল দৰমহা আয়োগে 7th Pay Commission ৰ ৰাজ্যিক চৰকাৰৰ বিষয়া-কৰ্মচাৰীৰ সংশোধিত দৰমহা ইং ০১-০৪-২০১৭ তাৰিখৰ পৰা কাৰ্য্যকৰী কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু, ৰাজ্যিক চৰকাৰে সদিচ্ছা প্ৰকাশ কৰি কেবিনেট সমিতিৰ অনুমোদন মৰ্মে উক্ত তাৰিখটো আগুৱাই ০১-০৪-২০১৬ ৰ পৰা সংশোধিত দৰমহা কাৰ্য্যকৰী কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে সেই Pay Commissionয়ে ৭ টা বছৰ পাৰ কৰিছে। আকৌ নতুন Pay Commission আহিব, তেতিয়া নতুন ভাৱে চিন্তা-চৰ্চা কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, এইবাৰ কেবিনেটত মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল যে বৰাক ভেলীৰ ল'ৰা-ছোৱালীয়ে বৰাক ভেলীতে চাকৰি পাব। কিয়নো আমাৰ বৰাক ভেলীৰ মানুহৰ মাজত এটা ভাৱ আছিল যে বৰাক ভেলীৰ ল'ৰা-ছোৱালীয়ে চাকৰি

কমকৈ পায় । গতিকে, এই কথাটো  বিবেচনা কৰক। মই দেখিছো যে, আপোনালোকৰ চৰকাৰে যিটো কথা কয় সেইটো পালন কৰিবলৈ চেষ্টা কৰে। সেয়েহে, এই কথাটোও যাতে পালন কৰাৰ বাবে চেষ্টা কৰে, আমাৰ ল'ৰা-ছোৱালীবোৰেও যাতে চাকৰি পায় তাৰ বাবে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, সেইদিনাখন বোধহয় আপুনিও আছিল চাগে। সেইদিনাখন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সকলোখিনি কথা বিস্তৃতভাৱে কৈছে। তাত মোৰ কিবা সংযোজন কৰিবলগীয়া আছে বুলি ভৰা নাই।  বৰ্তমান সময়ছোৱাত কেনেকৈ স্বচ্ছভাৱে চাকৰি নিযুক্তি প্ৰক্ৰিয়া কৰা হৈছে মুখ্যমন্ত্ৰী মহোদয়ে কৈছে। বৰাক উপত্যকাত কেনে ধৰণে চাকৰি পাব সেই বিষয়েও কেবিনেট বৈঠকৰ সংবাদমেলত তেওঁ বিস্তৃতভাৱে কৈছিল। অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ যথেষ্ট সদিচ্ছা আছে আৰু অসমৰ যুৱক-যুৱতীৰ ভৱিষ্যত সম্পৰ্কে তেওঁ যথেষ্ট চিন্তাশীল আৰু সেই অনুযায়ী তেওঁ কাম কৰি আহিছে। বৰাক ভেলীৰ যুৱক-যুৱতীসকলৰ বাবেও  তেওঁ কাম কৰি যাব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং-০৮। ছিৰাজউদ্দিন আজমল।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ছিৰাজউদ্দিন আজমল (যমুনামুখ)ঃ** Respected Sir, Anganwadi Centres in my constituency Jamunamukh is scatterdely located in four different ICDS projects, namely, Kathiatuli which fall under Nagaon district, Binnakandi, Jogijaan and Lanka. As a result, habitations under two or more Anganwadi centres overlapped. Whereas many of other villages are not covered under Anganwadi Centres and many habitation in number of villages do not come under any Anganwadi Centre. In this context, my humble questions to the Hon'ble Minister-

1) Will the Govt. take any measures to relocate the misplaced Anganwadi centres by conducting Departmental survey and cover all the left out Anganwadi Centres by setting up new Anganwadi Centres at the earliest?

2) Will the Govt. make necessary arrangement to bring all the Anganwadi Centres in my constituency under one ICDS instead of four ICDS as on date? If so, by when? and if not, why not? Thank You.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, প্ৰথম কথা হ'ল নতুনকৈ কোনো অংগনবাড়ী কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ নাই। এতিয়া নতুন নতুন জিলা হৈছে, গতিকে, আমি reorganization কৰিব পাৰো। বৰ্তমান আমি সমষ্টিভিত্তিত নকৰি জিলা ভিত্তিত ICDS ব্লক কৰিম। যদি  জিলা দুখন হয় তেন্তে ICDS ব্লক দুটা হ'ব। সেইবোৰ আমি integrate কৰি এটা ICDS project কৰাৰ ব্যৱস্থা কিছু মাহ আগতে কৰিছো। এতিয়া

যদি বিধায়কসকলৰ এনেকুৱা ধৰণৰ reorganization ৰ প্ৰপোজেল আছে, আমাক দিবলৈ অনুৰোধ জনাইছো। আমি গোটেই চালি-জাৰি চাই ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আশ্ৰাফুল হুছেইন। এই specific সমষ্টিটোৰ ওপৰত কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** চাৰ, ICDS ৰ কথা যিহেতু চলি আছে...interruptions......

মাননীয় অধ্যক্ষ ঃ Common টো কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** চাৰ, মই common কথাটোৰে কৈছো যে ICDS ৰ অন্যতম এটা গুৰুত্বপূৰ্ণ কাম হৈছে mal-nutrition.........interruptions......

**মাননীয় অধ্যক্ষ ঃ** নাই নালাগে। ধন্যবাদ...interruptions......

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** চাৰ, পুষ্টিৰ সম্পৰ্কত। পুষ্টিৰ ভয়াৱহ ছবি অসমত দেখা দিছে ... interruptions......

**মাননীয় অধ্যক্ষ ঃ** Please sit down. এতিয়া ৰূপজ্যোতি কুৰ্মী ..interruptions......

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মোৰ সমষ্টিৰ এটা ICDS ব্লকত ৮০০ ল'ৰা-ছোৱালী ..interruptions......

**মাননীয় অধ্যক্ষ ঃ** এইটো সকলোৱে জানে। সমষ্টিৰ কথাটো...interruptions......

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** চাৰ, প্ৰতিবেদনত অত্যন্ত ভয়াৱহ তথ্য পোহৰলৈ আহিছে। জনাব লাগে যে এইটো আমি কেনেকৈ overcome কৰিব পাৰিম? এইটো অতি গুৰুত্বপূৰ্ণ বিষয়। এটা ব্লকত এহাজাৰ শিশু পুষ্টিহীনতাত ভুগিছে ...interruptions......

**মাননীয় অধ্যক্ষ ঃ** আপুনি এই বিষয়ে বেলেগ দিনা ক'ব। এতিয়া ৰূপজ্যোতি কুৰ্মী ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰীৰ পৰা উত্তৰ পাইছো আৰু উত্তৰত মই সন্তুষ্ট। মই মাননীয় মন্ত্ৰী মহোদয়াক আপোনাৰ যোগেদি এটা প্ৰশ্ন কৰিব আৰু অনুৰোধ কৰিব বিচাৰিছো। যোৰহাটৰ যদি Trip Adviser ৰ ৱেবচাইট চাওঁ বা Assam Tourism ৰ ৱেবচাইট চাওঁ, তাত যোৰহাটৰ ৪০ টা মান Tourism site দেখুওৱা হৈছে। সকলোতকৈ দুখৰ বিষয় যে কেৱল অসমৰে নহয়, ভাৰতৰে প্ৰথম গোমধৰ কোঁৱৰে বৃটিছৰ বিৰুদ্ধে যি বিদ্ৰোহ ঘোষণা কৰিছিল আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজাদী কা অমৃত মহোৎসৱত তেখেতৰ বক্তব্যতো উল্লেখ কৰিছিল, এই গোমধৰ কোঁৱৰৰ তৰাতলী ক্ষেত্ৰ Tourism ৰ site ত উল্লেখ নাই। গতিকে তাত উল্লেখ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নেকি? দ্বিতীয়তে, আমাৰ মৰিয়নী সমষ্টিত নাগালেণ্ডৰ পৰা বৈ অহা চাৰিখন মান সৰু-বৰ নদী আছে। এই নদীবোৰত আমি Rafting ৰ ব্যৱস্থা গ্ৰহণ কৰিব খুজিছো। কিন্তু, তাৰ বাবে পুঁজিৰ প্ৰয়োজন আৰু অনুমতিৰো প্ৰয়োজন। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ভোগদৈ নদী, জাঁজী নদীৰ পৰা আদি কৰি টিয়ক নদী, পুঠি নদীত River Rafting ৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? তৃতীয়তে, আমাৰ যোৰহাট চাহৰ বাবে বিখ্যাত। অসমেই বিখ্যাত, কিন্তু যোৰহাট অন্যতম। যোৰহাট অন্যতম যদিও Trip Advisor বা Assam Tourism ৰ ৱেবচাইটত Tea Tourism ৰ একো scope তাত উল্লেখ নাই। সেই ক্ষেত্ৰতো আপুনি উল্লেখ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই নিশ্চয়কৈ খুব এটা গুৰুত্বপূৰ্ণ কথা কৈছে যে গোমধৰ কোঁৱৰৰ যি ইতিহাস, সেই ইতিহাস হয়তো অসম বা ভাৰতবৰ্ষৰ মানুহে যেনেধৰণে জানিব লাগিছিল, সেই ধৰণে জানিব

পৰা নাই। কাৰণ ভাৰতৰ স্বাধীনতা আন্দোলনত চিপাহী বিদ্ৰোহক প্ৰথম আন্দোলন বুলি কোৱা হয়। কিন্তু তাৰ ৩০ বছৰ আগতে গোমধৰ কোঁৱৰে বৃটিছৰ বিৰুদ্ধে যুঁজিছে। এইবিলাক আমাৰ ইতিহাস। এই ইতিহাসবিলাক বিগত দিনত গুৰুত্ব নিদিয়াৰ কাৰণে লাচিত বৰফুকনক আজি ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰতিষ্ঠা কৰিবলৈ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰয়োজন হৈছে। এতিয়া সেইধৰণৰ পদক্ষেপ লোৱা হৈছে। গোমধৰ কোঁৱৰকো আমি তেনেদৰে প্ৰতিষ্ঠা কৰিব লাগিব। সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা বছৰ তৰাতলীৰ কাৰণে ১কোটি টকা ঘোষণা কৰিছিল আৰু যোৱা ১৫ ডিচেম্বৰ তাৰিখে তেখেতে ইয়াৰ শিলান্যাস কৰি আহিছে। তৰাতলীক ইতিমধ্যে tourist destination হিচাপে গঢ়ি তুলিবলৈ কাম আৰম্ভ কৰিছে। যিহেতু তাত বৰ্তমানলৈ insfrastructure বা tourist flow আৰম্ভ হোৱা নাই সেইকাৰণে হয়তো tourism ৰ website ত এইটো দিয়া হোৱা নাই। আপোনাৰ যিটো বক্তব্য, তাৰপৰা আমি tourism ৰ website টো যিধৰণে দিব লাগে বা tourist destination হিচাপে গঢ়ি তুলিবলৈ যিধৰণে কাম আৰম্ভ কৰিব লাগে সেই পদক্ষেপ আমি ল'ম।

দ্বিতীয়তে আপুনি কৈছে যে river tourism ৰ ক্ষেত্ৰত বা rafting ৰ ক্ষেত্ৰত নিশ্চয়কৈ নগা পাহাৰৰ পৰা বৈ অহা দিচৈ বা ভোগদৈ বা তাত থকা জাজী আদি নদী সমূহত rafting আদি কৰাৰ ক্ষেত্ৰত adventure sports কৰা অনুষ্ঠান কিছুমান যদি আগবাঢ়ি আহে তেতিয়া আমাৰ বিভাগৰ ফালৰ পৰা তেওঁলোকক যি সা- সুবিধা আগবঢ়াব লাগে সেইখিনি দিয়াত কোনো অসুবিধা নাই।

ঠিক তেনেদৰে আপুনি যি চাহ পৰ্য্যটনৰ কথা কৈছে, এই ক্ষেত্ৰত ইতিমধ্যে আমি অসম চৰকাৰৰ ফালৰ পৰা ৫০ কোটি টকা দিছো। এইবছৰ আমি লক্ষ্য ৰাখিছো যে অতি কমেও ২৫ খন চাহ বাগানৰ যিবিলাক heritage bunglow বা heritage থকা চাহ বাগিছা সমূহৰ আমি ২ কোটি টকাকৈ ৰাজ সাহাৰ্য্য দিয়াৰ কথা ঘোষণা কৰিছো আৰু ইতিমধ্যে তাৰবাবে আবেদনো লোৱা হৈছে। ৩৫ খন বাগানে তেনেকুৱা ধৰণৰ আবেদন কৰিছে। এইবাৰ আমাৰ হাতত ৫০ কোটি টকাৰ বাজেট আছে। এইবাৰ আমি ২৫ খন বাগানক তেনেকুৱা ধৰণে ৰাজসাহাৰ্য্য দিম। তাত তেওঁলোকে আমাৰ পৰা ২ কোটি টকা ৰাজ সাহাৰ্য্য পাব আৰু তেওঁলোকে নিজে ২ কোটি টকা দিব। মুঠ ৪ কোটিটকাৰে heritage bungalow বা বাগানত নতুন নতুন infrastructure হ'ব, য'ত tea tourism টো develop হ'ব, তেনেকুৱা ধৰণৰ কামখিনি কৰাৰ কাৰণে আগবাঢ়িম।

ইয়াৰ লগে লগে আপুনি নিশ্চয় জানে যে গিবন অভয়াৰণ্যত আমি বহুখিনি কাম ইতিমধ্যে আৰম্ভ কৰিছো আৰু যোৰহাটত আমাৰ নিজৰ tourist lodge আছে। ইয়াৰ উপৰিও, আৰু যদি infrastructure develop কৰিবৰ কাৰণে যেনেকৈ মই কাকৈ থানাৰ কথা কৈছো তেনেকৈ যদি কোনোবা মানুহ আগবাঢ়ি আহে, আমি তাত scheme দিবলৈ প্ৰস্তুত আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১০, শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা supplementary আছিলে। মই ১০ ছেকেণ্ডত শেষ কৰিম।

**माननीय अध्यक्ष ঃ** কওক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আমাৰ সমষ্টিত tourism ৰ ক্ষেত্ৰত কিছু study কৰিবৰ কাৰণে যদি এটা team যদি পঠায় বা তেওঁ যদি নিজে আহে তাৰবাবে মই নিমন্ত্ৰণ কৰিছো। তেখেতে নিমন্ত্ৰণটো গ্ৰহণ কৰিছে নে নাই সেই উত্তৰটো লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা,(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো অনুৰোধ কৰিছে তাৰবাবে মই নিজে যাম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দুটা বিষয় আছিলে। এজন PMAY beneficiary ৰ পইচা বেলেগৰ একাউণ্টত সোমাই গ'ল আৰু এটা issue আছিলে যে 14th finance ৰ ৭ লাখ টকাৰ ভিতৰত মাত্ৰ ৫০ হাজাৰ টকাৰহে কাম হ'ল, এইটো BDO ৰ report য়ে কয়। এতিয়া, উত্তৰত দেখা গৈছে যে মাত্ৰ দুটা কেচ কৰিয়ে বিভাগে দায়িত্ব সামৰিছে। প্ৰথম কথাটো হ'ল, PMAY ৰ আঁচনিৰ ক্ষেত্ৰত, যাৰ একাউণ্টত পইচাটো সোমাইছিলে তেওঁৰ বিৰুদ্ধেহে কেচটো কৰিছে। এইটো হয় যে তেওঁ guilty. কিন্তু পইচাটো তেওঁৰ একাউণ্টত সোমোৱাৰ ক্ষেত্ৰত বিভিন্ন বিভাগীয় বিষয়া জড়িত হৈ আছিলে। তেওঁলোকৰ বিৰুদ্ধে এতিয়ালৈ কোনো departmental proceeding হোৱা নাই বা কোনো কেচ হোৱা নাই।

দ্বিতীয় কথাটো হ'ল, ৭ লাখ টকাৰ ভিতৰত মাত্ৰ ৫০ হাজাৰ টকাৰহে কাম হ'ল, এই ক্ষেত্ৰতো একমাত্ৰ president জনৰ বিৰুদ্ধে কেচ কৰিয়ে বিভাগে দায়িত্ব সামৰিলে। আৰু এটা interesting কথা হৈছে এই দুয়োটাৰ বিৰুদ্ধে charge sheet দিয়া বুলি কৈছে, মই যেতিয়া প্ৰশ্ন কৰিছো তেতিয়াহে দুয়োটাৰে charge sheet দিছে ৩০ নবেম্বৰ তাৰিখে। মই যদি প্ৰশ্ন নকৰিলে হয়,তেতিয়াহ'লে বোধহয় ব্যৱস্থা লোৱা নহ'লেহেতেন। মোৰ মাননীয় মন্ত্ৰী মহোদয়লৈ প্ৰশ্ন যে যিসকল বিষয়া জড়িত হৈ আছে, তেওঁলোকৰ বিৰুদ্ধে criminal proceeding বা departmental proceeding আজিলৈ কিয় লোৱা হোৱা নাই আৰু কেতিয়া ল'ব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ সন্মানীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই যিখিনি কথা কৈছে, এই সন্দৰ্ভত ইতিমধ্যে আমাৰ বিভাগে বহুদিন আগৰ পৰাই ব্যৱস্থা লৈছে যাৰ কাৰণে আমাৰ BDO সকলে তেতিয়াই FIR lodge কৰিছে আৰু FIR lodge কৰাৰ পাছত ইতিমধ্যে charge sheet হৈছে আৰু এই সম্পৰ্কত আইনী প্ৰক্ৰিয়া চলি আছে। আমাৰ বিভাগৰ পৰাও ইতিমধ্যে inquiry হৈছে। আমাৰ বিভাগৰ মানুহ তাত গৈ তন্ন

তন্নকৈ পৰীক্ষা কৰিছে, আমি নিজেও অকল এইটো বিষয়ে নহয়, অন্য বিষয়ো আলোচনা কৰিছিলো। মাননীয় বিধায়ক ডাঙৰীয়াই আমাক এখন পত্ৰ দিছিলে আৰু সেই পত্ৰৰ আধাৰতে inquiry টো হৈছিল। ইতিমধ্যে আমাৰ Commissioner office ৰ পৰা Government লৈ inquiry report আহিছে। নিশ্চিতভাৱে PMAY ৰ গৃহৰ টকা কোনেও খাব নোৱাৰে। এই ক্ষেত্ৰত আমাৰ বিভাগে ব্যৱস্থা ল'ব।

**মাননীয় অধ্যক্ষ ঃ** Second Supplementary.

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিলে যে why the case is only against the Panchayat President,what about the Government officials? Secondly, in case of PMAY, যিজনৰ একাউণ্টত টকাটো সোমালে তেওঁৰ against তহে কেচ হ'ল, বাকী অফিচাৰ সকলৰ বিৰুদ্ধে কিয় কেচ হোৱা নাই? এই দুয়োটা ক্ষেত্ৰতে চৰকাৰৰ হেমাহি,অত্যন্ত দুখলগা যে মোৰ প্ৰশ্ন কৰাৰ পাছতহে তেওঁলোকে charge sheet কৰা দেখুৱাইছে। এই PMAY ৰ লগত নিশ্চয় GPC জড়িত থাকিব বা আন যিসকল জড়িত থাকিব, তেওঁলোকৰ বিৰুদ্ধে FIR কিয় lodge হোৱা নাই, lodge কৰিব নে নাই?

দ্বিতীয়তে, যিটো ৭ লাখ টকাৰ কামৰ মাত্ৰ ৫০ হাজাৰ টকা খৰছ কৰি বাকী টকা আত্মসাৎ কৰিলে এই ক্ষেত্ৰত Panchayat President জনৰ লগতে JE জড়িত হ'ব লগতে অন্যান্য বিষয়াও জড়িত হ'ব। তেওঁলোকৰ বিৰুদ্ধে কিয় কেচ কৰা হোৱা নাই?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰঞ্জিত দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আইনী প্ৰক্ৰিয়াৰ মাজত আমি পোনপটীয়াকৈ speed up কৰিবলৈ দিয়াৰ ব্যৱস্থা আমাৰ হাতত নাই। মাননীয় বিধায়ক ডাঙৰীয়াই কোৱা কেচটো হৈছে ২০১৬-১৭ চনৰ। আপুনি তেতিয়াও বিধায়ক হৈ আছিলে। আপুনি অভিযোগটো দিলে ২০২২ চনত। আপোনাৰ অভিযোগটো পোৱাৰ পিছত আমি ততাতৈয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছো। সেইকাৰণে মই সদনক জনাব বিচাৰিছো যে PMAY হওক বা MGNREGA ই হওক----interruption------

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মন্ত্ৰী মহোদয়, মোক মাত্ৰ এটা আশ্বাস লাগে যে আপুনি বাকী দোষী ব্যক্তি সকলৰ বিৰুদ্ধেও criminal আৰু departmental proceeding গ্ৰহণ কৰিব নেকি?

**শ্ৰী ৰঞ্জিত দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি নিশ্চিতভাৱে ১০০ শতাংশই এইক্ষেত্ৰত ব্যৱস্থা ল'ম।

**माननीय अध्यक्ष ঃ** এতিয়া শ্ৰী নুৰুল হুদা ডাঙৰীয়া।

**মোঃ নুৰুল হুদা, (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা ধৰণৰ ঘটনা গোটেই অসমতে হৈছে। আমাৰ নগাঁও জিলাতো হৈছে। মোৰ সমষ্টিতো এনেকুৱা দুটা অভিযোগ মই নিজে forward কৰি Commissioner ক দিছিলো। প্ৰায় এমাহ পাৰ হ'ল, আজিলৈ কোনো ব্যৱস্থা নহ'ল। JPC বিলাকে হিতাধিকাৰী সকলৰ একাউণ্টত পইচাটো নিদি বেলেগৰ একাউণ্টত পইচা দি পইচাটো উঠাই লয়। এই হিতাধিকাৰী সকলৰ এনেকুৱা ধৰণৰ বহু অভিযোগ আছে। গতিকে

এইটোৰ ওপৰত এটা তদন্ত হ'ব লাগে আৰু যিসকল বিষয়া ইয়াত জড়িত হৈ আছে, তেওঁলোকক দৃষ্টান্তমূলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ উপৰিও wages ৰ পইচাবিলাকো পোৱা নাই। দুখীয়া মানুহবিলাকে ঘৰবিলাক পাইছে। কিন্তু wages ৰ পইচাবিলাক পোৱা নাই। এই টকাবিলাকো তেওঁলোকে আত্মসাৎ কৰিছে। গতিকে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ইয়াৰ ওপৰত এটা ভালকৈ তদন্ত কৰি দৃষ্টান্তমূলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে ভৱিষ্যতে তেনেকুৱা ধৰণৰ ঘটনা অসমত পুনৰ নহয়।

**माननीय अध्यक्ष ঃ** Question Hour is over. এতিয়া মই হাফিজ বশিৰ আহমেদ ডাঙৰীয়াৰ সহযোগীসকলৰ পৰা এটা সভা স্থগিত প্ৰস্তাৱ পাইছিলো । এই প্ৰস্তাৱটো মই চালিজাৰি চালো। যেতিয়া অন্যান্য ডিভাইচ আহিব বা অন্যান্য কাৰ্য্যসূচী থাকিব তাতেও উত্থাপন কৰিব পাৰিব, আলোচনা কৰিব পাৰিব সেই কাৰণে মই সভা স্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰা নাই যিটো এ আই ইউ ডি এফ দলে আনিছে । লগতে এল ও পি ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ পৰাও মই এটা সভা স্থগিত প্ৰস্তাৱ পাইছিলো । একেধৰণে এই প্ৰস্তাৱটোৰ ক্ষেত্ৰতো মই ভাবো আজিৰ কাৰ্য্যসূচী তাৰ বাবে স্থগিত ৰখাৰ কোনো কাৰণ পোৱা নাই । মই ভাবো যে আজিৰ কাৰ্য্যসূচীও গুৰুত্বপূৰ্ণ গতিকে এই বিষয়টো অন্যান্য ডিভাইচত আলোচনা কৰিব পাৰিব ।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সভা স্থগিত প্ৰস্তাৱ আনিছো এই ক্ষেত্ৰত আমি জানো যে আজিৰ সদনত যিখিনি কাৰ্য্যসূচী আছে সেইখিনি যথেষ্ঠ গুৰুত্ব আছে, এই কথাটো ঠিক। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই সদনখন ৰাইজৰ কাৰণে, জনসাধাৰণৰ কাৰণে আৰু জনসাধাৰণৰ স্বাৰ্থত এই সদন। আমি যিটো এডজৰ্নমেন্ট মোশ্যন দিছো, এই বিষয়টো - সভা স্থগিত প্ৰস্তাৱত যিকেইটা নীতি আছে -

It should be a current occurence আমি যিটো ঘটনাৰ ওপৰত দিছো এইটো যোৱা কালিৰ ঘটনা। এইটো ৰ যিটো পাৱলিক ইম্পৰ্টেন্স It should be a public importance আৰু অধ্যক্ষ মহোদয়, এই কথাটো অতি গুৰুত্বপূৰ্ণ এই কাৰণে যে, বসুন্ধৰা -টুৰ অধীনত সমগ্ৰ অসমত যেতিয়া যিসকল লোকে একচনীয়া বা চৰকাৰী ভূমিত বসবাস কৰি আছে তেওঁলোকক ভূমি আবন্টন দিয়াৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে, সেই একেটা সময়তে যিসকল চৰকাৰী ভূমিত বসবাস কৰি আছে তেওঁলোকক উচ্ছেদ কৰা হৈছে । এতিয়া আমাৰ কথাটো হ'ল এই একেখন চৰকাৰৰ দুইমুখী স্থিতি কিয় ? যদিহে তাত উচ্ছেদ কৰাৰ প্ৰয়োজন আছিল তেনেহ'লে

কম পক্ষেও তেওঁলোকৰ আবেদনক গুৰুত্ব দিব লাগিছিল।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো আন ডিভাইচতো আলোচনা কৰিব পাৰিব । সন্মানীয় সদস্য, এই বিষয়ৰ ওপৰত কোনো আপত্তি নাই । সভা স্থগিত কৰি আলোচনা অকল এই বিষয়ত কৰিব লাগে, ইয়াত মই সন্মত হ'ব পৰা নাই । সেই কাৰণে মই এইটো ব্যাহত কৰিছো, ধন্যবাদ । আপোনাৰ বিষয়টো মই বুজিব পাৰিছো । এই বিষয়টোৰ গুৰুত্ব আছে কিন্তু এই বিষয়টো আমি আন ডিভাইচত আলোচনা কৰিব পাৰিম ।

------সদনত হুলস্থুল ----

**বিৰোধীৰ পৰা উভৰি অহা মন্তব্য ঃ** অধ্যক্ষ মহোদয় এইটো এটা চিৰিয়াচ মেটাৰ । আলোচনা কৰিব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** বহক বহক । অনাৰেবল পাৰ্লিয়ামেন্টৰী মিনিষ্টাৰ ডাঙৰীয়াই ক'ব শুনক ।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, যিহেতু ৰাজহ বিভাগৰ প্ৰশ্ন বিলত আহিব তেতিয়া এ আই ইউ ডি এফ দলৰ সদস্যসকলে এই কথা বতৰাবিলাক তাত উপস্থাপন কৰিব পাৰিব। ঠিক তেনেকৈ আমাৰ সীমান্ত উন্নয়ন বিভাগৰো প্ৰশ্ন যেতিয়া আহিব মাননীয় কংগ্ৰেছ দলৰ সদস্যসকলে সেইদিনাও যদি আনে আমি আলোচনা কৰিব পাৰিম । তাৰ বাবে আমি সভা স্থগিত হোৱাটো বিচৰা নাই । এইখিনি মই তেখেতসকলক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে জিৰো আৱাৰ দিব পাৰে, থ্ৰি জিৰো ওৱান দিব পাৰে, অন্যান্য ডিভাইচতও দিব পাৰিব, কিন্তু দিনটোৰ বাবে সভা স্থগিত প্ৰস্তাৱ আপোনালোকে আনিব নালাগে । ধন্যবাদ

----সদনত হুলস্থুল --

(এ আই ইউ ডি এফ দল সদস্যসকলে অধ্যক্ষৰ মেজৰ কাষ লৈ আহি প্ৰতিবাদ কৰে। সদনৰ ভিতৰত প্লেকাৰ্ড - বেনাৰ প্ৰদৰ্শন কৰে , শ্লোগান দিয়ে )

**মাননীয় অধ্যক্ষ ঃ** হাউচত কাৰ্ড - বেনাৰ দেখুৱাটো নিয়মৰ বাহিৰত। আমি নিয়ম মানি চলিব লাগে । এই বিষয়টো আন ডিভাইচত আলোচনা কৰিব পাৰিব । আপোনালোকে নোটিচ দিয়ক ।

----সদনত হুলস্থুল --

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিৰোধী দলৰ দলপতি ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ ৫৬ নং বিধেয়ক অনুসৰি 'আমাৰ চৰকাৰী স্কুল দখল মিজোৰামৰ' এই বিষয়টোৰ সন্দৰ্ভত ১৮ ডিচেম্বৰ তাৰিখে প্ৰতিদিন বাতৰি কাকতত এটা বিস্তৃত প্ৰতিবেদন আহিছিল। সেইটোৰ ওপৰত সভা স্থগিত প্ৰস্তাৱটো আনিবলৈ আপোনাৰ অনুমতি বিচাৰিলোঁ। সেইকাৰণে যে এই বিষয়টো নতুন নহয়। কিন্তু যোৱা সময়ছোৱাত আমাক আশ্বাসো দিয়া হৈছে। আমি ২০২০ চনৰ ৮ নবেম্বৰত সেই একেটা অঞ্চললৈ গৈছিলোঁ। তাৰ পৰৱৰ্ত্তী সময়ত ২০২১ চনত আমাৰ ৬ জন আৰক্ষী জুলাই মাহত সেই একেটা অঞ্চলতে মিজো আৰক্ষীয়ে গুলিয়াই মাৰিছিল। এইখিনি সময়ৰ ভিতৰত Ministerial level ৰ বৈঠকো হ'ল, মুখমন্ত্ৰীয়ে দিল্লীত দ্বিপাক্ষিক বৈঠকো কৰিলে আৰু মিজোৰামৰ মুখ্যমন্ত্ৰীয়ে কৈ আছিল যে একেদিনাই সমস্যাটো সমধান নহয়, আমি আলোচনা কৰিম। দুয়োপক্ষই বিবৃতি দি আছে যে আমাৰ cordial relation হ'ব লাগে, ভাল হ'ব লাগে। কিন্তু statusটো maintain কৰাৰ কথা এটা পক্ষয়ো কোৱা নাই আৰু statusটো maintain নোহোৱাৰ বাবে ২০২০ চনৰ ৮ নবেম্বৰত যি অঞ্চলত সিহঁতে বোমা ফুটাই গৈছিল

আৰু আমাক কোৱা হৈছিল অসম চৰকাৰৰ ফালৰ পৰা তাত এচ এচ বি নিয়োগ কৰা হৈছে। মিজোৰাম চৰকাৰে তেওঁলোকৰ অঞ্চলত চি আৰ পি এফ নিয়োগ কৰিছিল। তাৰ পিছত অসম আৰক্ষীৰ তত্বাৱধনাত থকা এচ এচ বিয়ে কেনেকৈ সেই ঠাই মিজো প্ৰশাসনক এৰি দিলে যাৰ ফলত তেওঁলোকে ২০০৩ চনৰ ৰেকৰ্ড দেখুৱাই এখন স্কুল স্থাপন কৰিছে। যি খন স্কুল ১৯৬০ চনৰ পৰা ৯০০ নম্বৰ ঢলাশাল এল পি স্কুল আছিল আৰু সেইখন এতিয়া মিজোসকলে নতুনকৈ তেওঁলোকৰ pre-primary school বুলি কৈছে। সেই গতিকে বিষয়টো যিখিনি নিয়ম অনুসৰি হ'ব লাগে তাৰ বাবে অতি জৰুৰী। কাৰণ অসমৰ ভূমি বিভিন্ন ৰাজ্যই লৈ আছে আৰু কথাটো ঐতিহাসিকভাৱে সত্য। পূৰ্বৰ চৰকাৰৰ দিনতো আলোচনা হৈছিল, ইয়াক শান্তিপূৰ্ণভাৱে অসমৰ মান মৰ্যাদা বজাই ৰাখি আমি যাতে আমাৰ ভূমি আমাৰ হাতত ৰাখিব পাৰোঁ, সেই খিনি সফল নোহোৱাৰ বাবে আলোচনা সাংবিধানিক প্ৰক্ৰিয়াৰে চলি আছে, কিন্তু এই চৰকাৰে আহি নতুনকৈ ক'লে যে আমি গাঁৱৰ মানুহক সুধিম আৰু নিজৰ আলোচনা কৰিম, আমি ডি আই ডি ৰ আধাৰত কৰি দিম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই যোৱা বছৰত ক'লে যে প্ৰয়োজন সাপেক্ষে নলবাৰীও এৰি দিম। তাৰ পিছত অধ্যক্ষ মহোদয়, এই কথা বিলাক অসম বিধান সভাই সকলো কাম বাতিল কৰি আলোচনা কৰাতো দৰকাৰ। কাৰণ আমাৰ এটা territory আছে অসম বিধান সভাই ক'ত আইন বনাব ক'ত কি কৰিব পাৰে আমাৰ territoryটো দৰকাৰ। আজি যিখিনি কথা হৈছে যে আমাৰ মানুহক মাটি দিব লাগিব, ভূমিহীনক। আমাৰ যদি ৰাজ্যখনেই নাথাকে বিভিন্ন ৰাজ্যই আগ্ৰাসন কৰি আমাৰ মাটি নাইকিয়া কৰে, আমাৰ অসম ভূমিহীন হৈ গ'লে ওচৰৰ চুবুৰীয়া ৰাজ্যৰ মাটিৰ পট্টা ল'ব লাগিব, ভোটাৰ লিষ্টত নাম ভৰাব লাগিব, সা-সুবিধা ল'ব লাগিব। মহোদয়, not more than one such motion আমি আজি এটাই দিছোঁ। কেৰল মিজোৰামৰ যি ১৬৪ কি. মিটাৰ আমাৰ লগত বোৰ্ডাৰ আছে তাৰ ভিতৰত মনমিত, কলাচিপাল, আইজল তাৰ যি খিনি ধলা সমষ্টিৰ হয় সেইখিনি বিষয়ত আলোচনা কৰিব বিচাৰিছোঁ। এই বিষয়টোলৈ এই সদনত একেবাৰে আলোচনা হোৱা নাই, কাৰণ আজি প্ৰথম আৰু মোচনৰ আগতে এনেকুৱা কোনো ধৰণৰ ৰেফাৰেন্স অহাৰ কথাও অহা নাই motion must not deal with a resolution that cannot be moved, এইটো resolution ল'ব পৰা যাব যে আমাৰ মাটি আমাৰ হাতত থাকিব লাগিব আৰু যি কোনো প্ৰক্ৰিয়াৰে আলোচনা হওঁক কিন্তু আমি এনেকৈ surrender কৰিব নোৱাৰোঁ। সেই ঘটনাবোৰ হোৱাৰ আগত ২০২০ চনৰ বা ২০২১ চনৰ ঘটনা, আগৰ অৱস্থালৈ আহিব লাগে বুলি মিজোৰাম চৰকাৰক আমি দাবী জনাব লাগে। এইটোত কোনো কোৰ্টৰ কোনো privilegeৰ কথা হৈ থকা নাই। এইটোত কোনোৰ কথা নাই আৰু এইটোত অসম চৰকাৰৰ নিজৰ অধিকাৰৰ ভিতৰত। মোৰ প্ৰশ্ন আছে, অহাকালি উঠিব নিশ্চয়, তাত কোৱা হ'ব যে ইমান মাটি বাকীবোৰ ৰাজ্যই লৈ আছে যোৱা সময়ছোৱাত সেই কথাবোৰেই কৈ আছে, গতিকে এই matterটো সম্পূৰ্ণৰূপে definite matter আৰু এইটোত আমি অন্য কথাবোৰ নিশ্চিতভাৱে পাতিব লাগে বিধান সভাত কি কি আইন আমি লাগু কৰিম। কিন্তু এই বিলাক কৰিবলৈ আমাক মাটি লাগিব। আমাৰ মাটিখিনি যদি নাথাকে আমাৰ আইনখন ক'ত লাগু হ'ব! সেই গতিকে এইটো খুব জৰুৰী। আজি যিসকল ভূমিহীনক উচ্ছেদ কৰিছে ভাল কথা, তেওঁলোকক তাৰ বদলি আমি মাটি দিব লাগিব, যদি চৰকাৰী মাটিত তেওঁলোক ৰৈ আছে। আজি বিভিন্ন অঞ্চলত হৈ আছে, বটদ্ৰবাকে আদি কৰি। কিন্তু তেখেতসকলে ক'ত যাব! আমাৰ যদি মাটিয়ে নাথাকে। সেই গতিকে আমাৰ মাটি অন্য ৰাজ্যবিলাকে লৈ ল'ব বিচাৰিছে আৰু অন্য কথালৈ নাযাও, মেঘালয়ৰ কথা এটা ক'ব

বিচাৰোঁ, মেঘালয় হাইকোৰ্টে আমাৰ যিখিনি চুক্তি হৈছিল সেইখিনি ষ্টেঅৰ্ডাৰ দিছে বুলি শুনিছোঁ। সেই গতিকে এই কথাখিনি সদ্যহতে আমাৰ মিজোৰামৰ বিষয়টো আলোচনা কৰিবলৈ আপুনি অনুমতি দিব বুলি আশা কৰিছোঁ। যিহেতু সকলো পাৰ্টীয়ে মিট কৰা বুলি আমি ভাৱো।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, দলপতি ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিম। তেখেতে ভাষণত কালিৰ উচ্ছেদটো ভাল হৈছে বুলি কৈছে, তাৰ লগত বৰদোৱাৰ উচ্ছেদৰ কথা কৈছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, এইটো ইনফৰমেচন অনুগ্ৰহ কৰি ৰেকৰ্ড চেক কৰিব।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আপুনি কৈছে উচ্ছেদ কৰিছে ভাল হৈছে, ভাল হোৱা শব্দটো কৈছে।

................(হুলস্থূল)...................

মাটি দিব লাগিব, যোৱাকালি বৰদোৱাটো হৈছে তেনেকুৱা শব্দকেইটা কৈছে, মোৰ যদি ভুল হোৱা নাই। গতিকে মই শুনিছো তেনেকৈ।

**মাননীয় অধ্যক্ষ ঃ** বিতৰ্কলৈ যাব নালাগে।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উচ্ছেদ হোৱাটো ভাল হোৱা বুলি কোৱাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা বিৰোধী দলপতি ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, নিয়ম হ'ল যেতিয়া এটা প্ৰস্তাৱ আহে সভা স্থগিতৰ, তেতিয়া সভা স্থগিত প্ৰস্তাৱ যিয়ে দিয়ে তেওঁ admissibilityৰ ওপৰত কয়, admissibility ৰ ওপৰত কোৱাৰ পিছত চৰকাৰৰ পক্ষৰ পৰা সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে বিভিন্ন দফাৰে কিয় admissibility কৰিব নোৱাৰি সেই কথাখিনি ব্যাখ্যা কৰে। তাকে নকৰি আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াই তাৰে এটা উদ্ধৃতি দি যি ধৰণে কৰিব খুজিছে সেইটো নিয়ম নহয়। আজি আপোনালোকে চাওঁক, এটা কথা কৈছে যে অসমৰ চৰকাৰী স্কুল দখল কৰি মিজোৰামে স্কুল কৰিছে। গুৰুত্বপূৰ্ণ। সেই কথাটো urgent, অতি important.

**মাননীয় অধ্যক্ষ ঃ** সেই কথাটো note কৰিব দিছোঁ, যি কথা উত্থাপন কৰিছে।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** চৰকাৰী পক্ষৰ মতে এইটো important হয়নে নহয় সেইটো admissibilityৰ ওপৰত ক'ব। চৰকাৰৰ মতে বাকী কামবোৰ বাদ দি আমাৰ মাটিত যে বেলেগ এখন ৰাজ্যই স্কুল কৰিছে সেইটো important হয়নে নহয় সেইটোৰ ওপৰতহে বিতৰ্ক হোৱাত অধ্যক্ষই এটা ৰায় দিব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে ৰেচপন দিব এইটোত।

(হুলস্থূল)

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মই আগতে ক'লো।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** তেওঁ কৈছে যে আগৰ অসম গণ পৰিষদৰ চৰকাৰে বটদ্ৰবাত মাটি সংস্থাপন কৰা বুলি কাকতত আহিছে। বৰা ডাঙৰীয়াই সংস্থাপন কৰিছিল এখন চৰকাৰে, আন এখন চৰকাৰে সেই আইনটো সংশোধন নকৰি সেই সংস্থাপিত কৰা মানুহসকলক বটদ্ৰবাত যিটো কৰিছে বে-দখল কৰিব পাৰেনে নোৱাৰে সেইটোহে প্ৰশ্ন কৰিছে। গতিকে admissibility ৰ ওপৰত যিখিনি কথা হৈছে Specifically আমাৰ পৰা কোৱা হৈছে, আজি চৰকাৰৰ পক্ষৰ পৰা ক'ব, তাৰ পিছত অধ্যক্ষই ৰায় দিব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** চৰকাৰৰৰ সহযোগী দলৰ সেই সময়ৰ বিধায়কৰ কাগজ, মই আপোনাক দিছো। ইয়াত লিখা আছে যে তাত উচ্ছেদিত সকলক ৰাখিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble House, মই আগতে কলো, এই গোটেই বিষয়টো মই চাইছোঁ। যিটোৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ ইয়াত দাঙি ধৰিছে। কিন্তু মই কৈছো যে বিষয়টো গুৰুত্বপূৰ্ণ। বিষয়টো গুৰুত্ব সহকাৰে লৈছোঁ। কিন্তু এটা কথা মই কওঁ যে এই বিষয়টো আমি অন্য শিতানতো আলোচনা কৰিব পাৰোঁ। এইটো আলোচনা কৰিবৰ কাৰণে zero hour ও আছে, ৩০১ তো আছে, ৫৪ আছে। আৰু যদি Land and Revenue বিভাগৰ cut motion আহিব suppose তাত এটা referenceত আহি যাব বা অন্যান্য ঠিক তেনেকুৱা ধৰণৰ কিবা সুবিধা থাকিব পাৰে য'ত আমি অলপ short duration ইয়াৰ ওপৰত আলোচনা আৰু চৰকাৰৰ ফালৰ পৰা কি ধৰণৰ ব্যৱস্থা ল'ব পাৰে গোটেই বিষয়টোৰ শুনাৰ পিছত তেনেকুৱা এটা আমি বিধান সভাত আলোচনা কৰিব পাৰোঁ। মাত্ৰ কথাটো হ'ল যে সেইটোৰ কাৰণে গোটেই কাৰ্য্যসূচী স্থগিত ৰাখি কেৱল এইটোৰ ওপৰত আলোচনা কৰা সেইটোৰ ক্ষেত্ৰত Rules of Procedure ত চাই মই কৈছোঁ। যিখিনি কথা LOPয়ে দাঙি ধৰিলে admissibility ৰ ওপৰত, এই বিষয়টো গুৰুত্বপূৰ্ণ। সেইটোৰ কাৰণে মই চৰকাৰক এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এইটো চাবৰ কাৰণে মই আজি হাউচত অনুৰোধ জনাইছোঁ।

................(হুলস্থূল).............

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছোঁ, যে এই বিষয়ে আপোনালোকে অন্য ডিভাইজত।

**মাননীয় অধ্যক্ষ ঃ** Argumentহ'ব নালাগে।

**শ্ৰীপিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অন্য ডিভাইজত আনক নিশ্চয় আমি ভালকৈ আলোচনা কৰিম। ৩০১ বা ৫৪ ত আপোনালোকে আনিব বা সীমান্ত উন্নয়ন বিভাগৰ প্ৰশ্নোত্তৰ শিতানো থাকিব, তাত আমি গুৰুত্বসহকাৰে আলোচনা কৰিম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ, দুটা কথা কব বিচাৰিছো, দুই মিনিট।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, হ'ব। এতিয়া অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য-উপদেষ্টা সমিতিৰ এখন সভা যোৱা ১৯-১২-২০২২ তাৰিখে আবেলি ৫ বজাত অধ্যক্ষৰ কাৰ্য্যালয়ত শীতকালীন অধিবেশনৰ খচৰা দিনপঞ্জীখন আৰু বেলটৰ তাৰিখ আৰু প্ৰস্তাৱ সমূহৰ জাননী প্ৰাপ্তিৰ অন্তিম তাৰিখৰ তালিকাখন চুড়ান্ত কৰাৰ বাবে অনুষ্ঠিত হয়। অধিবেশন ২০ ডিচেম্বৰ ২০২২ তাৰিখৰ পৰা ২৪ ডিচেম্বৰ ২০২২ তাৰিখলৈ মুঠ ৫ দিন চৰকাৰী কাৰ্য্যসূচীৰ বাবে নিৰ্ধাৰণ কৰা হয় যদিও অহা ২৩ ডিচেম্বৰ তাৰিখে ৰাতিপুৱা বে-চৰকাৰী সদস্যৰ কাৰ্য্যসূচী আৰু আবেলি চৰকাৰী কাৰ্য্যসূচীৰ বাবে ধাৰ্য্য কৰা হয়। লগতে মৃত্যু প্ৰসঙ্গৰ তালিকাখনত সকলোৱে অনুমোদন জনায়। অহা ২১ ডিচেম্বৰ ২০২২ তাৰিখৰ সদনত পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন কৰি অহা ২৩ ডিচেম্বৰ ২০২২ তাৰিখে আবেলি মঞ্জুৰী সম্পৰ্কত দাবী সমূহ ভোটদানৰ বাবে লোৱা হ'ব। অসম বিনিয়োজন বিধেয়কখন উপস্থাপন আৰু পাৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে সমিতিয়ে অহা ২৪ ডিচেম্বৰ ২০২২ তাৰিখে সদনত উত্থাপন হোৱা বিধেয়ক সমূহ বিবেচনা আৰু পাৰিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰিও সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে, প্ৰস্তাৱৰ শিতানত এটা প্ৰশ্নৰ ক্ষেত্ৰত প্ৰস্তাৱ কৰ্তা সদস্য জন আৰু

এজন পৰিপূৰক কৰ্তাই মুঠ ৫ মিনিটৰ সময়ৰ ভিতৰত প্ৰশ্নটো উত্থাপন কৰিব লাগিব। শূণ্যকালীন ঘন্টাত নিয়ম নং ৫৪ আৰু নিয়ম নং ৩০১ ৰ অধীনত উত্থাপকে ৫ মিনিট আৰু মন্ত্ৰীয়ে উত্তৰ দিয়াৰ বাবে ৫ মিনিট সময় পাব। তদুপৰি সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে যে, বিধেয়কখন উত্থাপনৰ পিছত ৭৩ নং নিয়মৰ অধীনত সদস্য সকলে সদনত আলোচনা কৰাৰ সুযোগ পাব। এই নিয়মৰ অধীনত কোনো সংশোধনী প্ৰস্তাৱ উত্থাপনৰ ব্যৱস্থা নাই। ইয়াৰ পিছত বিধেয়কখন বিবেচনাৰ বাবে লোৱা হ'ব আৰু লগে লগে বিধেয়কখন দফাই দফাই থাকি ইয়াৰ পিছত বিধেয়কখন উত্থাপন কৰিব। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনত অনুমতি আছে। এতিয়া অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-পৰিচালনাৰ নিয়মাৱলী নিয়ম নং ১ ৰ অধীনত পঞ্চম দশম অসম বিধান সভাৰ শীতকালীন অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নলিখিত মাননীয় সদস্য কেইগৰাকীক সভাপতি হিচাবে মনোনীত কৰা হয়। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী বিদ্যা সিং ইংলেং, শ্ৰী আমিনুল ইছলাম। এতিয়া ৰুল ৫৪ শ্ৰী তেৰচ গোৱালা।

(বিৰোধীয়ে হুলস্থূলৰ মাজত সদন ত্যাগ কৰে)

**শ্ৰী তেৰচ গোৱালা (ডুলীয়াজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলী ৫৪ নং নিয়মৰ অধীনত ২০২২ চনৰ ১ ডিচেম্বৰ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত প্ৰসূতিৰ মৃত্যুত দেশৰ শীৰ্ষত অসম শীৰ্ষক বাতৰিটোৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ মনোযোগ আকৰ্ষণ কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। আমি একো একোজন সন্তান আৰু মাতৃৰ গৰ্ভৰ পৰা জন্ম লৈছো। যোৱা ১ ডিচেম্বৰ তাৰিখে আটাইতকৈ দুখজনক খবৰটো প্ৰকাশ পাইছিল অসমীয়া প্ৰতিদিন কাকতত। ভাৰতবৰ্ষৰ ভিতৰত 'প্ৰসূতিৰ মৃত্যুত দেশৰ শীৰ্ষত অসম' শীৰ্ষক বাতৰিটো এই ৰেকৰ্ডটো আমাৰ কাৰণে দুৰ্ভাগ্যজনক। আমি কেতিয়াও নিবিচাৰো, আমাৰ সমাজৰ প্ৰসুতি মাতৃ অঁকাল মৃত্যুক সাঁবটি ল'বলগীয়া হয়। এইটো কেতিয়াও আমাৰ বাবে গ্ৰহণযোগ্য হ'ব নোৱাৰে। যোৱাবছৰ লোক সভাত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাননীয় ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই দাখিল কৰা এক প্ৰতিবেদনটো আমি দেখিছো। মাননীয় উপাধ্যক্ষৰ জৰিয়তে মাননীয় স্বাস্থ্য আৰু পৰিয়ালকল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে, প্ৰসুতিৰ অঁকাল মৃত্যু আমি যদি ৰোধ কৰিব নোৱাৰো, তেতিয়া হয়টো এটা প্ৰজন্ম শেষ হৈ যোৱাৰ সম্ভাৱনা আছে। প্ৰসূতি মানে 'মা' মাৰ অকাল মৃত্যু যদি আমি সন্তান সকলে নীৰবে চাই থাকো বা কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰো তেতিয়া হ'লে নিশ্চয় ঈশ্বৰেও ক্ষমা নকৰিব। ৰাষ্ট্ৰ সংঘইও ইতিমধ্যে Sustainable Development Goal ৰাখিছে তাতো প্ৰসূতিৰ মৃত্যুৰ সংখ্যা কমাবৰ কাৰণে ৭০ শতাংশ ইতিমধ্যে নিৰ্ধাৰণ কৰিছে। আমি দেখিছো যে, সমান্তৰাল ভাবে ভাৰতবৰ্ষত অন্য অন্য ৰাজ্য বিলাকত বিশেষকৈ কেৰেলা, মহাৰাষ্ট্ৰ আৰু তেলেংগনাত এনেকৈ ৰাজ্য বিলাকত কিন্তু যথেষ্ট সফল হৈছো। প্ৰসুতি মৃত্যুৰ ৰোধ কৰাৰ ক্ষেত্ৰত আৰু সৰ্বভাৰতীয় পৰ্য্যায়ত প্ৰসূতিৰ মৃত্যুত অনুপাতঃ ক্ৰমান্বয়ে কমি আহিছে বুলি ইতিমধ্যে লোক সভাৰ তথ্যত কৈছো। অসমত যি ধৰণে কমিব লাগিছিল সেই ধৰণে কমা নাই। মই যিখিনি দাতা পাইছো এই যে প্ৰসূতি মৃত্যুৰ সংখ্যা আটাইতকৈ বেছি হৈছে চাহ বাগিচা অঞ্চলত। চাহ বাগিচাৰ আটাইতকৈ বেছি হৈছে ডুলিয়াজান বিধান সভা সমষ্টিত এখন চাহ বাগিচা বালিজান চাহ বাগিচা, মই দাতা সংগ্ৰহ কৰোতে গম পালো বিধবা পেন্সনৰ যি তথ্য সংগ্ৰহ কৰিছিলো সেইখন

চাহ বাগিচাত ইমানে বিধবা মহিলা আছে যে, এইটো আমি কল্পনা কৰিব নোৱাৰো। চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু ব্যৱস্থা বিলাক তৃণমূল পৰ্য্যায়ত লৈ যাব পাৰিলো নে নাই? মোৰ দৃষ্টিভংগীত যিখিনি আছে বা দেখিছো চাহ জনজাতি অঞ্চলত প্ৰায় ১০০ টা মান জাতি গোষ্ঠীৰ সমাজ বিলাক আছে। তেওঁলোকে সমাজৰ হ'কে সংস্কাৰৰ কাম কৰি আছে। আমি চৰকাৰৰ লগত আলোচনা কৰা নাই আৰু বিভাগেও ব্যৱস্থা গ্ৰহণ কৰা নাই। এইটো এটা স্পৰ্শকাতৰ বিষয়। চাহ বাগিচাৰ লাইন বিলাকত চুলাই মদৰ ব্যৱসায় ইমান বেছিকৈ হৈ আছে ইয়াতে আবকাৰী বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে। ইয়াত যেতিয়া প্ৰশাসনক কোৱা হয়, তেওঁলোকেও পইচা পাতি লৈ তেওঁলোকক আকৌ ব্যৱসায় কৰিবলৈ উৎসাহ দিয়া দেখা যায়। ইয়াত যেতিয়া প্ৰশাসনক কোৱা হয়, তেওঁলোকৰ লগত পইচা- পাতিলৈ তেওঁলোকক আকৌ ব্যৱসায় কৰিবলৈ উৎসাহ দিয়া হয়, এইটো মই কৈছো। মই যিহেতু এই সমাজৰ পৰা আহিছো সেয়েহে মই জানো এই কথাটো। এই কাৰণেই মই চৰকাৰক অনুৰোধ জনাম যে চাহ বাগিচা অঞ্চলত যিবিলাক অবৈধ চুলাই মদৰ ব্যৱসায় চলি আছে, সেইবিলাক বন্ধ কৰিবই লাগিব। যদি নকৰে তেতিয়া হ'লে কিন্তু এনেকুৱা ব্যৱস্থা কেতিয়াও সফল নহ'ব। ইয়াৰ উপৰিও আমাৰ সমাজত বিশেষকৈ কম বয়সত বিয়া বাৰু এতিয়াও চলি আছে। এইটো যিহেতু চৰকাৰী ব্যৱস্থা, ইয়াক নিয়ন্ত্ৰন বা ৰোধ কৰিব নোৱাৰে, তাৰ কাৰণে সমাজ ইয়াত জড়িত হ'বই লাগিব। সমাজবিলাক যেতিয়া ইয়াত জড়িত হ'ব, তেতিয়া চৰকাৰ আৰু সমাজবিলাকে যেতিয়া একেলগে জইন্ট এটা পদক্ষেপ গ্ৰহণ কৰিব, তেতিয়া মই ভাবো যে নিশ্চয় ইয়াক নিয়ন্ত্ৰণ কৰাত অলপ সফলতা লাভ কৰিব পাৰিম। এই কাৰণে মই ভাবো, চাহ বাগিচা অঞ্চলত এই ধৰণে অকাল মাতৃৰ মৃত্যুৰ সংখ্যা অত্যাধিক আছে সমগ্ৰ অসমত যিটো ৰেট আছে, তাৰ তুলনাত মই ভাবো যে চাহবাগিচাৰ ক্ষেত্ৰত আটাইতকৈ বেছি আছে। ইতিমধ্যে স্বাস্থ্য বিভাগৰ কেইবাটাও ৰিপোৰ্টত দেখিছো, এই কাৰণে মই ভাবো, ৰাষ্ট্ৰসংঘই যিটো এচ ডি জি নিৰ্ণয় কৰিছে, যে ১৭ শতাংশলৈ নিৰ্ণয় কৰিব লাগে। তাৰ তুলনাত ইতিমধ্যে ভাৰত চৰকাৰৰ ইতিমধ্যে সৰ্বভাৰতীয় পৰ্য্যায়টো দেখিছো ইয়াৰ সংখ্যা ইতিমধ্যে ক্ৰমান্বয়ে কমি কমি আহিছে। কিন্তু অন্যান্য ৰাজ্য বিলাকৰ তুলনাত যদি আমি চাওঁ, তেতিয়া হ'লে দেখা পাওঁ যে অসমৰ কিন্তু সংখ্যা এতিয়াও আশানুৰূপ হোৱা নাই। সেই কাৰণে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই কথাবিলাক আমি সামাজিকভাৱে চিন্তা কৰিব লাগিব, সামাজিকভাৱে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। কেৱল চৰকাৰী বিধি ব্যৱস্থাই ইয়াক কেতিয়াও নিয়ন্ত্ৰণ কৰিব নোৱাৰে যিহেতু মই এটা অনুষ্ঠানৰ দায়িত্বত আছো, চাহ জনগোষ্ঠীৰ জাতিৰ মহা সভাৰ দায়িত্বত । প্ৰায় ৯৫ টা সমাজ সম্প্ৰদায়ক গোষ্ঠী তাত সমাজবিলাক জড়িত আছে, তাত গোটেইবিলাক কথা আলোচনা হয়। গতিকে ইয়াৰ ৰিলেটেড যি বিভিন্ন বিভাগবোৰ আছে, এস্কচাইজ বিভাগেই হওক Health Department হওক, গৃহ বিভাগেই হওক বা অন্যান্য বিভাগ যি সকল ইয়াৰ লগত জড়িত আছে, এই সকলো বিভাগৰ লগত, মন্ত্ৰীসকলৰ লগত মই এখন বৈঠক বা আলোচনা বিচাৰিছো, আৰু এইটো এটা সম্পূৰ্ণ সময় লৈ আলোচনা কৰিব লাগিব, তেতিয়াহে আমি ইয়াৰ এটা উপায় উলিয়াব পাৰিম বুলি মই ভাবো। আজি এই বিষয়টো উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ মাননীয় মন্ত্ৰী। উত্তৰৰ কাৰণে আপোনাৰ সময় ৫ মিনিট।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় সদনৰ মজিয়াত ৰুল ৫৪ নং ৰ জৰিয়তে আমাৰ মাননীয় বিধায়ক তেৰচ গোৱালা ডাঙৰীয়াই উত্থাপন কৰিছে,

উপাধ্যক্ষ মহোদয়, এইটো আলোচনাৰ কাৰণে অনুমতি দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। তেখেতৰ বক্তব্যত কেইটামান ভাল পৰামৰ্শ দিছে, সেই পৰামৰ্শকেইটা আমি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত তেখেতেকে ধৰি  তেখেতসকলৰ মহাসংঘৰ কথা কৈছে আমি আলোচনা কৰিম। এই গোটেই বিষয়টো  যেনে ধৰণে প্ৰকাশ পাইছে, ঠিক তেনে ধৰণে  গোটেই বিষয়টো নহয়, কাৰণ ইয়াত যেতিয়া কাকতত কৈছে যে দেশৰ মহাপঞ্জীয়কৰ কাৰ্য্যালয়ে প্ৰকাশ কৰা  প্ৰতিবেদন ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ শোচনীয় অৱস্থা। গতিকে এই গোটেই বিষয়টো দুটা অনুষ্ঠানে কৰে। Register general of India (RGI) আৰু আমাৰ census Commissioner . তেওঁলোকে যিটো sample register systam (SRS) ৰে এই ডাটাবিলাক সংগ্ৰহ কৰে। এই ডাটাবিলাক কেনেকৈ সংগ্ৰহ কৰে  এই যিটো কথা ইয়াত দিছে, যে তেওঁলোকে বিভিন্ন ঠাই মিলি ১ লাখ। ঠিক তেনেধৰনৰ life birth যাৰ জন্মৰ পিছত মৃত্যু হোৱা নাই, তেনেকুৱা ধৰণৰ  sample যেতিয়া ১ লাখ সংগ্ৰহ কৰে। সেই ১ লাখৰ ওপৰত assessment টো হয়। এই ১ লাখটো এনেকুৱা নহয় যে সকলোৰে কৰি আছে। এইটো চাৰ্ভেৰ নিয়মটো এনেকুৱা, যে আমাৰ ইয়াত এতিয়া যিখিনি প্ৰকাশ পাইছে, যদিও ২০২২ চনত প্ৰকাশ পাইছে, এইটো আচলতে ২০১৮-২০২০ ৰ। তিনি বছৰত এনেধৰণৰ ১ লাখ লোকৰ  sample চাৰ্ভে কৰা হৈছে। তাৰ পাছত এই ১লাখ  sample ৰ পৰা এইটো ডাটা সংগ্ৰহ কৰা হৈছে। এতিয়া আজিৰ সময়ৰ কথাটো উলিয়াবলৈ পলম হ'ব। এই গোটেই বিষয়টোত আমি অৱশ্যে এটা কথা  ক'ব লাগিব, যোৱা মাৰ্চ- এপ্ৰিলৰ পৰা ক'ভিডটো কমিছে। ঠিক তাৰ পাছতে মুখা-মুখিকৈ আমি সভা-সমিতি আলোচনা সকলো কৰিব পৰা হৈছো। এতিয়া এইবিলাক নিৰাময় কৰিবৰ কাৰণে আমি যোৱা মে'-জুনৰ পৰা ধৰি প্ৰতিটো মাহত একোখনকৈ স্বাস্থ্যমন্থন সভা অনুষ্ঠিত কৰিছো বিশেষকৈ MMRআৰু IMR ৰ ওপৰত । তাত সকলোকে আমি জিলা পৰ্য্যায়ৰ  যুটীয়া সঞ্চালককে ধৰি বি পি এম ৰ পৰা ধৰি তাৰ যিবিলাক আমাৰ ব্লক লেভেলৰলৈকে সকলোকে মাতি অনা হৈছে, এটা এটাকৈ তেওঁলোকৰ প্ৰতিখন জিলা, প্ৰতিটো ব্লকৰ কি কি সমস্যা আছে, আলোচনা কৰা হৈছে। আলোচনা কৰি এই কেইদিনত আমি সুফল পাইছো। আমাৰ যোৱা সময়ছোৱাতকৈ এতিয়া যথেষ্টখিনি কমিছে। ৩৫ শতাংশলৈকে আমি দেখিছো কম হৈছে। ২০২২ চনৰ মে' মাহৰ পৰা নবেম্বৰ মাহলৈকে যদি চোৱা যায়, ইয়াৰ আগতে ২০২১ চনৰ মে' মাহৰ পৰা নবেম্বৰ মাহলৈকে আছিল ৫২৬। এতিয়া এইবাৰ মে' মাহৰ পৰা নবেম্বৰ মাহলৈকে চালে ৩৪২ তাৰ মানে এইখিনি ব্যৱস্থা লোৱাৰ পিছত যথেষ্টখিনি কমিছে, আৰু এইটো ৩৫ শতাংশ কমিছে। কেৱল যদি আমি চাহবাগিচা অঞ্চলটো চাও, তাত ৩০ শতাংশ কমিছে। এতিয়া চাহবাগিচাৰ ক্ষেত্ৰত কিছু বিশেষ ব্যৱস্থা ল'ব লগা হৈছে। আগৰ চাহবাগিচাত কি আছিল, আগৰ যিসকল প্ৰসুতি মাতৃ সেই সকলৰ ক্ষেত্ৰত বাগিচাৰ কোম্পানীৰ কোনো চুটীৰ কথা নাছিল। কিন্তু আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বাস্থ্যমন্ত্ৰী থকাৰ পৰাই কিছু ব্যৱস্থা গ্ৰহণ কৰিছে যাতে তেওঁলোকক ১২ হাজাৰ টকাকৈ দিয়া হৈছে যাতে তেওঁলোকে চুটী লৈ সেই সময়ছোৱা থাকিব পাৰে, আৰু তেওঁলোকৰ যাতে এই ক্ষেত্ৰত কোনো অসুবিধাৰ সৃষ্টি নহয়। আগৰ এনেকুৱা নাছিল পাত চিঙি থাকে গধুলি আহি সন্তান জন্ম দিয়ে এনেকুৱা দিন আছিল। এতিয়া আমি ১২ হাজাৰ টকা দিছো, যে তেওঁলোকে যাতে সেইখিনি কামৰ সলনি তেওঁলোকে চাহবাগিচাত গৰ্ভৱতী মহিলাসকলে যাতে এটা সকাহ পায়। ঠিক তেনেধৰণে আগতে আমাৰ চৰকাৰী কৰ্মচাৰীসকলৰ মেটাৰনিটি লিভ আছিল ১৮০ দিন অৰ্থাৎ তিনিমাহ। এতিয়া ৬ মাহলৈ বৃদ্ধি কৰি দিছে। গতিকে সকলো ক্ষেত্ৰতে  কেৱল বাগিচাত বুলিয়েই নহয় বা সাধাৰণ মানুহৰ কাৰণে নহয় এইখিনি কাম

আমাৰ চৰকাৰখনে হাতত লৈছে, আৰু এতিয়া আমাৰ ১৮০ খন মোবাইল মেডিকেল ইউনিট আছে। এই ১৮০ খনৰ ৮০ খনেই আমি বাগিচাত দিছো। ১০০ খনহে বাকী ৰাজ্যখনত দিছো, যে বাগিচাত বিশেষ কোনো যাতে অসুবিধা নাপায়। আৰু প্ৰতি মাহতে আমি একোটাকৈ স্বাস্থ্য শিবিৰ কৰি আহিছো। এতিয়া স্বাস্থ্য শিবিৰত শেহতীয়াভাৱে আমি প্ৰায় ১ লাখ লোকৰ , তাত স্বাস্থ্য শিবিৰত যাওতে এনেকুৱা নহয় যে সাধাৰণ ডাক্তৰ গৈছে, বিশেষজ্ঞ ডাক্তৰ দিয়া হৈছে, যাতে তেওঁলোকে বিভিন্ন ধৰণে তাত যিখিনি কেচ ওলাই সেইখিনি পিকআপ কৰি জিলা চিকিৎসালয়, মেডিকেল হস্পিতাল যি ঠাইলৈকে লৈ আহিব লাগে, আমি লৈ আহিবলৈকে ঠিক কৰিছো। গতিকে সেই কাৰণে আমাৰ যথেষ্টখিনি এই দিনখিনিৰ ভিতৰত কমিছে, ডাটা আমি পাইছো। গতিকে এইখিনি কমাৰ কাৰণে আমি ভাবিছো যে আৰু আমি যিখিনি ব্যৱস্থা গ্ৰহণ কৰা হৈছে বা যিখিনি ব্যৱস্থা গ্ৰহণ কৰা হ'ব, আৰু চাহ বাগিচাত আমি চেষ্টা কৰিছো, আশা কৰ্মী যি সকল, এনেকুৱা হয় যে, ওচৰৰ গাঁৱৰ আশা কৰ্মী গৰাকী চাহবাগিচাৰ ভিতৰত পৰেগৈ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক পৰামৰ্শ দিছে, যে চাহ বাগিচাত চাহ বাগিচাৰে আশা কৰ্মী আমি যাতে ঠিক কৰো। তেওঁলোকে নিজৰ ভাষাত যাতে কথাবতৰা পাতি তেওঁলোকক সন্মত কৰিব পাৰে। গতিকে এই প্ৰক্ৰিয়াটোৰে আমি এতিয়া আহিছো। বাগিচাত বহু এলেকা মিলি যাতে এগৰাকী আশা কৰ্মী নহয়, আৰু বাগিচাৰ ভিতৰৰ লাইনৰ মানুহকে যাতে আমি আশা কৰ্মী নিয়োগ কৰিব পাৰো। তেওঁলোকে তেওঁলোকৰ মাজত এইখিনি চোৰাচিতা কৰিব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** অলপ চমুৱাই দিয়ক, সময় শেষ হৈছে।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মইটো চমুৱায়ে কৈ দিব পাৰো, কিন্তু কথা বহুত আছিল, এই বিষয়টো খুব চলি থাকে সেই কাৰণে যদি প্ৰয়োজন আছে, মই ক'বলৈয়ো আছো। এতিয়া কথা হ'ল কি চাহ বাগিচাৰ ক্ষেত্ৰত যি কেইখন এ টি চি ৰ বাগিচা আছিল তাত একোখন কৈ হস্পিতাল আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰম্ভ কৰিছিলে আৰু সেই হস্পিতালখন লাহে লাহে কাৰ্য্যক্ষম কৰিছো । বাগিচাৰ হস্পিতালতো দেখিছে যে তেওঁলোকৰ ঔষধ আদি সকলো কোম্পানীয়ে যদি চলায় আটাইখিনি আমাৰ ইয়াৰ পৰা দিয়া হৈছে। স্বাস্থ্য খণ্ডটোত টি প্লেনটেশ্যন এক্ট মতে যদিও বাগিছাৰ কাম কিন্তু চৰকাৰে ইয়াৰ অংশীদাৰ বহুখিনি হৈছে আৰু অংশীদাৰ হৈ বাগিচাৰ ক্ষেত্ৰত এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে । এতিয়া আপোনালোকে শুনিলে ভাল পাব যে এগৰাকী নতুন দম্পত্তি বিয়া হোৱাৰ পিছতে আশাকৰ্মীয়ে লগ পায়, এ এন এময়ে লগ পায় । তেখেত সকলৰ পিছৰ প্লেনিংৰ কথা খবৰ লয় আৰু সেইমতে আমি কাম হাতত লওঁ আৰু কাম হাতত লৈ যেতিয়া সেই গৰাকী মহিলা প্ৰেগনেন্ট হয় তেতিয়া আমি ঠিক কৰো যে তেওঁৰ লগত আৰু দুগৰাকী প্ৰেগনেন্ট মহিলা আৰু মাতৃ মানে জন্ম হোৱাৰ পিছত যাৰ স্তনপান হৈ আছে তেনে মহিলাক আমি লগ লগায় দি আমি এটা গ্ৰুপ কৰি দিওঁ। এই গ্ৰুপটোত যাতে তেওঁলোকে প্ৰায়ে আলোচনাত বহে ইজনে সিজনক গাইড কৰিব পাৰে, তাৰ ওপৰি যি সকল চৰকাৰীভাৱে ইয়াৰ অভিজ্ঞ ব্যক্তি আছে তেওঁলোকে যাতে গাইড কৰিব পাৰে । তেনেধৰণে ঠিক কৰা হৈছে আৰু প্ৰতিটো মাহৰ বুধবাৰে আমি সদায় এটা দিন হিচাপে লৈ লৈছো যাতে সেইদিনাখন গ্ৰাম্যস্বাস্থ্য অনাময় আৰু কোষ্ঠি দিৱস হিচাপে লওঁ আৰু সেই দিনটোত যাতে সকলো মাতৃয়ে আৰু শিশুৰ ক্ষেত্ৰত যিখিনি যোগাযোগ স্থাপন কৰিব লাগে কৰা হয় । প্ৰতিটো মাহৰ ৯ তাৰিখে আমি ঠিক কৰো যাতে তেওঁলোকক সুৰক্ষিত মাতৃত্ব হোৱাৰ কাৰণে যিখিনি কনচাল্ট কৰিব লাগে মাহে, সেইটো লৈ ও আহিছে । ঠিক তেনেধৰণে জননী সুৰক্ষা যোজনা, জননী শিশু সুৰক্ষা কাৰ্য্যক্ষম আৰু ঠিক তেনেধৰণে আমি লক্ষ্য বুলি এটা

আঁচনি স্থিৰ কৰা হৈছে, প্ৰধান মন্ত্ৰীৰ সুৰক্ষিত মাতৃত্ব অভিযান, এনে ধৰণে সাতটা আঁচনি চলাই আছো । গতিকে এই কথাবিলাক খুব ক্ষিপ্ৰতাৰে কৰা হৈছে, কেৱল ক'ভিডৰ সময়ত অকমান কথাটো পিছ পৰিছিল । কিন্তু ইয়াৰ কাৰণে যিখিনি টিকাকৰণৰ ব্যৱস্থা আছে এই টিকাকৰণৰ ব্যৱস্থাও আমি গৰ্ভৱতী মহিলাৰ কাৰণে আৰম্ভ কৰিছো । যোৱা ১৬ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই লক্ষিমপুৰত ইয়াৰ উদ্বোধন কৰিছে। এতিয়া এসপ্তাহকৈ প্ৰতি মাহত লোৱা হৈছে । বিশেষ টিকাকৰণ অভিযান যাতে গৰ্ভৱতী মহিলা আৰু শিশুক আমি বিশেষভাৱে যিখিনি ক'ভিডৰ সময়ত ৰৈ গৈছিল, সেই খিনি যাতে সম্পূৰ্ণ কৰিব পৰা যায় তাৰ কাৰণে আমি সেই ব্যৱস্থা লোৱা হৈছে ।

**মাননীয় উপাধ্যক্ষ ঃ** যদি আৰু কিবা আছে মাননীয় সদস্য গৰাকীক লিখিতভাৱে দিব পাৰিব ।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** আৰু তেখেতক মই আহ্বান জনাইছো যে আমি চোচিয়েল চেক্টৰক ইয়াত যদি ল'ব পাৰো তেখেতে যিটো পৰামৰ্শ দিছে তেখেতৰ লগত মই আলোচনা কৰিম যাতে তেখেত সকলৰ সহযোগীতাতো আমি কি পদ্ধতিৰে ল'ব পৰা যায় আৰু বিশেষকৈ চাহ বাগিচাত আৰু এটা ডাঙৰ সকাহ পাম বুলি ভাবিছো । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এইটো আচলতে মাল্টি ফেক্টৰাইজ, বহুত ফেক্টৰ আছে আপুনি ব্যাখ্যা কৰি শেষ কৰিব নোৱাৰিব। সকলোৱে আমি চেষ্টা কৰিলে হয়তো এদিন প্ৰসুতিৰ মৃত্যুৰ সংখ্যা কমিব আৰু মাননীয় মন্ত্ৰীগণ আৰু সদস্যগণ যোৱাকালি বি এ চি ত এটা সিদ্ধান্ত লোৱা হৈছিলে ৩০১ আৰু ৫৪ ত যিখিনি আমাৰ আলোচনা হ'ব সেইখিনি সদস্য আৰু মন্ত্ৰীৰ বাবে ৫ মিনিট কৈ দিয়া হ'ব। এতিয়া কাৰ্য্যসূচী নং - ৬ । মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য নিয়মাৱলীৰ নিময় ৩০১ ৰ অধীনত মই অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত ২৩ চনৰ ভিতৰত কোটি টকীয়া আঁচনি সম্পূৰ্ণ কৰাৰ দাবী। এই বিষয়টোৰ প্ৰতি মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীৰ এটা জলন্ত আৰু গুৰুত্বপূৰ্ণ সমস্যা খোৱাপানী । গুৱাহাটী মহানগৰীতে আজিৰ পৰা প্ৰায় ১৩ বছৰ আগতেই তিনিটা পানী যোগান আঁচনি লোৱা হৈছিল ।

১) দক্ষিণ-পশ্চিম পানী যোগান আঁচনি, এইটো জৱাহৰলাল নেহেৰু নেচনেল আৰ্বান মিচনৰ অধীনত আৰু ইয়াৰ বাবে প্ৰায় ৩৯০ কোটি টকা আৱন্টন দিয়া হৈছিল ।

২) দক্ষিণ-পূৱ খোৱাপানী যোগান আঁচনি, আৰু ইয়াৰ বাবে ৬৭৬ কোটি টকা ধাৰ্য্য কৰা বুলি আমি জানিব পাৰিছো ।

৩) দক্ষিণ-মধ্য খোৱাপানী যোগান আঁচনি যিটো জাইকাৰ দ্বাৰা লোৱা হৈছিলে আৰু ইয়াৰ বাবদ প্ৰায় ১৪০০ কোটি টকা ধাৰ্য্য কৰা হৈছিল ।

এতিয়া মাননীয় উপাধ্যক্ষ মহোদয়, ১৩ বছৰ অতিবাহিত হ'ল কিন্তু আজিলৈকে দক্ষিণ-পশ্চিম খোৱাপানী আঁচনিখন সম্পূৰ্ণ কৰিব পৰা নাই । এইটো ২০০৯ চনতে আৰম্ভ হৈছিল। তাৰ পৰৱৰ্ত্তী সময়তো জাইকাৰ দুটা আঁচনি গ্ৰহণ কৰি সেই সময়তে কাম আৰম্ভ কৰিছিল ।

এতিয়া মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো বিধান সভাত মই বিগত সাতটা বছৰে উত্থাপন কৰি আহিছো । এতিয়া গুৱাহাটী মহানগৰীৰ সাধাৰণ জনসাধাৰণে এটুপী খোৱাপানীৰ কাৰণে হাহাকাৰ কৰিবলগীয়াৰ সৃষ্টি হৈছে । খৰাংৰ কথা বাদেই বাৰিষাৰ সময়তো গুৱাহাটীৰ প্ৰতিটো পৰিয়ালে মাজনিশা উঠি পাহাৰ অঞ্চলৰ মানুহ বিলাক নামনিলৈ নামি আহি পানী ল'বলগীয়া

এটা অৱস্থাৰ সৃষ্টি হৈছে । কিয়নো পাহাৰ অঞ্চলত পানীৰ গাড়ী যাব নোৱাৰে, ৰাস্তা সৰু আৰু ৰাস্তাৰ অৱস্থাও নাই । আজি গুৱাহাটীবাসী ৰাইজে এনেদৰে অতিবাহিত কৰিবলগীয়া হৈছে । ৰাজ্য চৰকাৰে বিশেষভাৱে এই অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি এই দুৰ্য্যোগ আতৰাবৰ বাবে এনে ধৰণৰ পৰিকল্পনা হাতত লৈছে । যোৱা বিধান সভাৰ আগষ্ট মাহৰৰ অধিবেশনটো মই খোৱাপানীৰ বিষয়টো আলোচনা কৰিছিলো । তেতিয়া মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিষয়ত ক্ষীপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আশ্বাস দিছিলে । দক্ষিণ-পশ্চিম গুৱাহাটী খোৱাপানী যোগান আঁচনি গেমন ইণ্ডিয়াক যিটো দিয়া হৈছিল ২০০৯ চনৰ ২০১১ চনলৈকে প্ৰথম অৱস্থা যি দ্ৰুত গতিৰে কাম কৰিছিল, পানীৰ পাইপলাইন বহুৱা হৈছিল, ৰিজাৰ্ভাৰ বহুৱা হৈছিল ইত্যাদি কিন্তু ২০১১ চনত যেতিয়া কংগ্ৰেছৰ চৰকাৰ আহিল তাৰ পিছৰ পৰা এই আঁচনিখন স্থগিত হৈ পৰিল । পৰৱৰ্ত্তী সময়ত ২০১৬ চনত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটৰ যি চৰকাৰ গঠন হ'ল তাৰ পিছত এই আঁচনিখন ক্ষীপ্ৰতাৰে কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও পিছলৈ গেমন ইণ্ডিয়াৰ অৱহেলাৰ বাবে এই কামখিনি স্তিমিত হৈ পৰা দেখা গৈছে । এতিয়া মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। মন্ত্ৰী মহোদয়ক মই দোষ দিয়া নাই। তেখেতক মই এইক্ষেত্ৰত কোনোধৰণৰ অভিযোগ ও দিব বিচৰা নাই কিন্তু গুৱাহাটী বাসী ৰাইজৰ পানীৰ বাবে হাহাঁকাৰ কৰিব লগীয়া এটা অৱস্থাৰ সৃষ্টি হৈছে। গতিকে এই আঁচনিখন সম্পূৰ্ণ কৰাৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে? মই গম পাইছো যে Gammon India ক ইতিমধ্যে অব্যাহতি দিছে। ভালেই কৰিছে। Gammon India ক অব্যাহতি দিয়াতো উচিত কাম কৰিছে। কিন্তু Gammon India ক অব্যাহতি দিয়াৰ পিছত কাক কামটো দিয়া হৈছে আৰু কেনেধৰণে এই আঁচনিটো সম্পূৰ্ণ কৰাৰ বাবে পৰিকল্পনা লৈছে? কিমান দিনৰ ভিতৰত এই আঁচনিটো সম্পূৰ্ণ কৰিব মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাবৰ বাবে অনুৰোধ কৰিছো। মই আৰু এটা কথা ক'ব বিচাৰিছো যে মই জনাত যি ৩৯০ কোটি টকা দিয়া হৈছিল এই টকাখিনি প্ৰায় শেষ হৈছে। মই দেখিছো যে আমাৰ যিটো খানাপাৰাৰ পৰা জালুকবাৰীলৈ 6 lane কৰা হৈছে তাত পানীৰ পাইপ বহোৱা হৈছিল। সেই পানীৰ পাইপ বিলাক এতিয়া বিধ্বস্ত। বিভিন্ন ঠাইত পাইপ এতিয়া বিধস্ত হৈ গৈছে। গতিকে যথেষ্ট পুঁজি আৰু প্ৰায় ৪০ কোটি টকা মানৰ প্ৰয়োজন হ'ব। মই মন্ত্ৰী মহোদয়ৰ জৰিয়তে এই আঁচনিখনৰ বাবে যিটো অতিৰিক্ত টকা হ'ব সেই টকাখিনিৰ কি ব্যৱস্থা লৈছে এই বিষয়ে যাতে অৱগত কৰে তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহাল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই গুৱাহাটী মহানগৰৰ পানী যোগান আঁচনি সম্পৰ্কে যিটো বিষয় উত্থাপন কৰিছে, কথাটো সঁচা যে বহুত দিনৰ পৰা এই আঁচনিবোৰ চলি আছে। South West Guwahati Water Supply Project টো ২০০৯ চনত আৰম্ভ কৰা হৈছিল। ইয়াৰ contractor আছিল Gammon Engineers and Contractors Private Limited, GMDA impleamenting Agency আছিল। External Added Project, AUIIP এই প্ৰকল্প আছিল। Shivam Transcon Tirupati Contractor আছিল আৰু জাইকা এচিচটেট যিটো ডাঙৰ প্ৰকল্প গুৱাহাটী ওৱাটাৰ চাপ্লাই প্ৰজেক্ট সেইটো ২০০৯ চনত আৰম্ভ হৈছিল। ইয়াত ২-৩ জন কন্ট্ৰেক্টৰ আছিল। তিনিটা কন্ট্ৰেক্টৰক কাম দিয়া হৈছিল আৰু তিনিটা কন্ট্ৰেক্টৰে কাম কৰিব নোৱাৰাৰ কাৰণে এই কন্ট্ৰেক্টবোৰ বাতিল কৰা হ'ল। কিন্তু সুখৰৰ যে মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছৰ পৰাই তেখেতৰ মাগ দৰ্শন বিভাগে পাই আছে আৰু আমি ক্ষীপ্ৰতাৰে কাম কৰাই আছো। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ মাধ্যমত সদনক জনাই মই সুখী হৈছো যে অহাকালি তিনি বজাত জাইকা প্ৰকল্পৰ টাৰচেল কমিশ্যনিঙৰ শুভ উদ্বোধন মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যোগেৰে খাৰঘুলি পানী যোগান যিটো আঁচনি আছে তাত হ'ব। তাত জাইকাৰ প্ৰতিনিধি আৰু জাপান এম্বেচীৰ প্ৰতিনিধি ও থাকিব। পশ্চিম গুৱাহাটী বিধান সভা সমষ্টিক সামৰি যিটো পানী যোগান প্ৰকল্প চলি আছিল তাত Gammon কআমি বাতিল কৰিছো। মাননীয় সদস্য ডাঙৰীয়াই এই কথাটো জানে আৰু এতিয়া ৰিএচেচমেণ্ট চলি আছে যে কিমান কাম বাকী আছে। কৰ'বাত কৰ'বাত পাইপ বেয়া হৈছে সেইটো সঁচা কথা। গোটেইবোৰ বিষয় এচেচমেণ্ট কৰি ৰি-টেণ্ডাৰিং কৰাৰ ব্যৱস্থা লোৱা হৈছে। পইচাৰ কাৰণে কোনো অসুবিধা নাই বুলি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কৈছে। অহা কিছু মাহৰ ভিতৰত হয়তো আমি জি.এম.ডি য়ে যিটো প্ৰকল্প কৰি আছিল তাৰ ৰি-টেণ্ডাৰিং কৰি কামটো আমি আৰম্ভ কৰিব পাৰিম। সময়সীমাটো টেণ্ডাৰ হোৱাৰ পিছত টেণ্ডাৰত কিমান কাম ওলাই তেতিয়াহে এই প্ৰকল্পৰ কথাটো কোৱা যাব। চেণ্ট্ৰেল গুৱাহাটীত যিটো জাইকা প্ৰকল্প হৈ আছে তাৰ কাৰণে আমি লাগি আছো। আমাৰ ইচ্ছা আছে যে প্ৰকল্পটো সোনকালে শেষ হ'ব লাগে। পাইপ লাইনৰ কাম ১৬-১৭ টা পেকেজত বিভিন্ন ঠিকাদাৰক দিয়া হৈছে আৰু সেইটো দৈনিক মনিটৰিং কৰি থকা হৈছে। প্ৰায় এক কিলোমিটাৰতকৈ অলপ কম পাইপ লাইনৰ কাম দৈনিক গুৱাহাটীত হৈ আছে। অহা দিনবোৰত কি দৰে কামবোৰ দ্ৰুতগতিত কৰিব পাৰি তাৰ ব্যৱস্থা লোৱাৰ কাৰণে আমি চেষ্টা কৰি আছো। মই ভাবো জাইকাৰ প্ৰকল্পটোৰ কাম অহা ২০২৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত যিমান পাৰো আমি পানী যোগান ঘৰে ঘৰে দিব পাৰিম। সঁচাকৈ গুৱাহাটী বাসীৰ কাৰণে এটা বৰ কষ্টৰ কথা যে পানী কিনি খাব লাগে আৰু মই য'ত থাকো মোৰ মা য়েও পানী কিনি চলিব লগীয়া হৈছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আগ্ৰহ যে সকলোকে সোনকালে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক সময়ে সময়ে মাৰ্গ দৰ্শন আৰু নিৰ্দ্দেশও দি আছে। সেয়েহে মই ভাৱো অহা দিনবোৰত যোৱা ডেৰ বছৰত যিখিনি উন্নয়ণ হৈছে সেইটো মই আপোনাৰ জৰিয়তে সদনত জনাব বিচাৰিছো যে এই প্ৰকল্পবোৰৰ কামবোৰ উন্নতি কৰি উন্নয়ণৰ দিশে আগবাঢ়ি যাম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰুল ৩০১ ৰ অধীনত মাননীয় সদস্য শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়া।

**শ্ৰী মৃনাল শইকীয়া, (খুমটাই) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমত নতুনকৈ সৃষ্টি হোৱা এটা সমস্যাৰ ওপৰত ক'বলৈ ওলাইছো। যিটোক Transgender বা কিন্নৰ বুলি কোৱা হয়। মই উপলব্ধি কৰিছো যে কিন্নৰ সকলৰ ক্ষেত্ৰত তিনিটা সমস্যা দেখা যায়। তেখেত সকলেজীৱন নিৰ্ব্বাহৰ ক্ষেত্ৰত এটা ডাঙৰ সমস্যাৰ সন্মূখীন হৈ আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিন্নৰ সকলৰ ক্ষেত্ৰত চিন্তা-চৰ্চ্চা কৰিবলৈ আৰম্ভ কৰিছে। আমি শুনিবলৈ পাইছো যে অৰুণোদয় আঁচনিৰ ক্ষেত্ৰত এই কিন্নৰ সকলে অগ্ৰাধিকাৰ পাব। দ্বিতীয়তে আমাৰ অসমত আৰু এটা ডাঙৰ পদক্ষেপ যে Assam become the first state to include transgender in the gender option in examination form. আমাৰ এ.পি.এচ. চিত জেণ্ডাৰৰ যিটো অপশ্যন থাকে, in general যিটো দুটা জেণ্ডাৰ থাকে male and female এই ক্ষেত্ৰত আমাৰ তিনিটা জেণ্ডাৰ আছে। ইতিমধ্যে আমাৰ ৪২ জন transgender য়ে এ.পি.এচ.চি ত আবেদন কৰিছে। এইটো এটা অতি ভাল খবৰ। আন এটা সমস্যা হ'ল যে কিন্নৰ সকলৰ পৰা আমাৰ জনসাধাৰণৰ

বিপদ। তেখেত সকলৰ পৰা পোৱা যিটো হাৰাশাস্তি সেইটো আমাৰ সকলোৰে বাবে এটা ডাঙৰ সমস্যা। এই বিষয়ত মই ক'ব বিচাৰিছো যে IPC section 268 ৰ মতে A person is guilty of a public nuisance if he or she causes annoyance to the public, this law may be appled where persons beggering are perceived to be a public nuisance. এই কিন্নৰ সকল সাধাৰণতে ভিক্ষাবৃত্তিত লিপ্ত থাকে। বিশেষকৈ তেওঁলোক ৰেল ষ্টেশ্যন, বাছ আস্থান, টোলগেট বা চাৰিআলি আদিত সিঁচৰিত হৈ থাকে আৰু তেওঁলোকে ভিক্ষাৰ নামত মানুহক হাৰাশাস্তি কৰি থাকে। মই এটা উদাহৰণ দিওঁ যে চাই-চুট্টা নামেৰে এল গোপাল জুৱেলাৰীৰ ওচৰত এখন দোকান আছে। মই তাত দেখিছো ৰাতিপুৱা দহ টা মান বাজিছে। দোকানীজনে দোকানখন খুলিছেহে মাত্ৰ। তেনে সময়তে এগৰাকী কিন্নৰ আহি কৈছে যে ভিক্ষা লাগে। তেতিয়া দোকানীজনে ক'লে যে মোৰ বহনিয়ে হোৱা নাই মই দিব নোৱাৰো। কিন্তু কিন্নৰজনে জোৰ-জবৰদস্তি পইচাৰ বাবে দাবী কৰি থাকিল। যদি মোক পইচা দিয়া তেতিয়া ভাল হ'ব। তেতিয়া দোকানী জনে পিছত আহিবলৈ ক'লে। যেতিয়া দোকানীজনে পইচা নিদিলে তেতিয়া কিন্নৰজনে দোকান খনৰ সন্মূখত অভদ্ৰ আচৰণ কৰিবলৈ লয়। দোকানীজনে কিন্নৰ গৰাকীক বিশ টকা এটা দিলে আৰু কিন্নৰজনে বিশ টকাটো দোকানীজনৰ মুখলৈ দলিয়াই দি এশ টকা দিবৰ বাবে দাবী কৰে। উপায়বিহীন হৈ দোকানীজনে এশ টকা এটা দি কিন্নৰ গৰাকীক তাৰ পৰা গুছি যাবলৈ ক'লে। এনেকুৱা ধৰণৰ সমস্যা আমি প্ৰায়েই দেখিবলৈ পাওঁ। কিন্নৰ সকলৰ এই ভিক্ষা বৃত্তিটো ক্ৰমান্বয়ে বেছি হৈ আহিছে। তৃতীয় সমস্যাটো হৈছে ভুৱা কিন্নৰ বহুত ওলাইছে। নগাৱত মজিবুৰ ৰহমান বুলি এজনে ভুৱা কিন্নৰ হৈ ভিক্ষা কৰি আছিল, তিনিচুকীয়াটো তেনেকুৱা হৈছিল আৰু বহু ঠাইত হয়তো ভুৱা কিন্নৰে ভিক্ষা কৰি আছে। সেই কাৰণে এই নতুন সমস্যাটো দিনক দিনে যাতে বৃদ্ধি নহয়, চৰকাৰে তাৰ ওপৰত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰে কিন্নৰক identify কৰি registration কৰি তেখেতসকলক এখন Identity Card দিব লাগিব আৰু তেখেতসকলে যাতে ভিক্ষাৰ নামত মানুহক হাৰাশাস্তি কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব লাগিব। তেখেতসকলৰ সমস্যা আছে, তেখেতসকলক সমাজে ল'ব নোখোজে, কোনো ধৰণৰ কামত নিয়োগ কৰিব নোখোজে, সেই বুলি তেখেতসকলক সমাজখনত অত্যাচাৰী হ'বলৈ এৰি দিব নোৱাৰি। কাৰণ তেখেতসকলে ভিক্ষাৰ নামত অত্যাচাৰ, জোৰ জুলুম কৰে আৰু সেই কাৰণে ভুৱা কিন্নৰ বিলাকৰ সৃষ্টি হৈছে। সেই কাৰণে তেওঁলোকৰ registration কৰিব লাগে, Identity Card থাকিব লাগে আৰু তেখেতসকলক কিছুমান কামত নিয়োগ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা উত্থাপন কৰিছে। তেখেতে যিটো seriousness ত কথাটো কৈছে, আচলতে এইটো serious হয়, কিন্তু অলপ sensitive য়ো হয়। যেনেকৈ পুৰুষ মহিলাৰ যিমান right আছে সমাজ ব্যৱস্থাত, তেনেকৈ transgender ৰো right চৰকাৰে বা আমাৰ সমাজ ব্যৱস্থাই তেখেতসকলকো দিছে। গতিকে আমি তেখেতসকলক identify কৰিবলৈ জোৰদস্তি কৰিব নোৱাৰো। আমাৰ যিটো ভাৰত চৰকাৰৰ নিয়ম আছে, আমাৰ এটা portal আছে, এই portal টোৰ যোগেদি district level Identify কৰি identity card দিওঁ। তাৰ কাৰণে যিগৰাকী transgender হয়, তেওঁ নিজকে self declare কৰিব

লাগে আৰু Pass port photo, Pan Card, Signature, Ration Card, Aadhar Card আৰু নিজকে transgender বুলি এখন affidavit দিব লাগে। কিন্তু অত্যন্ত গুৰুত্বপূর্ণ কথা আছে procedure for issue of certificate of identity। মাননীয় উপাধ্যক্ষ মহোদয়, District Magistrate Cell subject to the correctness of the applicant particulars get the application process based on the affaidavit submitted declaring the gender identity of any person in form -2 without any medical or physical examination. মাননীয় উপাধ্যক্ষ মহোদয়, কোনোবাই যদি self declaration দিয়ে affaidavit ত যে মই কিন্নৰ, মোক এখন identity card লাগে, তেতিয়া identity card খন দিব পাৰিব, বাকী particulars যিখিনি লাগে, সেইখিনি দিব লাগিব। কিন্তু মানুহজনক without any medical or physical examination দিব লাগিব। গতিকে আমাৰ অসুবিধাটো হ'ল আমি self declaration ৰ কাৰণে ৰব লাগিব। ভাৰতবৰ্ষৰ যিটো নিয়ম সেইটো নিয়মৰ অধীনত আমি কোনো এজন কিন্নৰক ক'ব নোৱাৰো যে আপুনি কিন্নৰ হয় নে নহয়। এতিয়ালৈকে অসমত ১৩৩ খন আবেদন পাইছোঁ, তেওঁলোকে self declaration দিছে আৰু ৪৯ জনক ইতিমধ্যে certificate দিয়া হৈছে। মই আকৌ কৈছো মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ যিটো নিময় আমি কাকো গৈ জোৰজবৰদস্তি medical or physical examination কৰিব নোৱাৰো। আমি ক'ব নোৱাৰো যে আপুনি এজন কিন্নৰ, আপুনি এখন I-card লওঁক। গতিকে বিষয়টো sensitive বস্তুটো আৰু তেখেতে কোৱা কথাটোও গুৰুত্বপূর্ণ। বহু বছৰ আগতে মোৰ লগত ট্ৰেইনত এনেকুৱা ঘটনা এটা ঘটিছিলে। গতিকে এইটো সকলোৱে ভুগি থকা। বিষয়টো যিহেতু sensitive, যিখিনি কিন্নৰ ব্যক্তিয়ে I- Card লৈছে বা যিখিনিয়ে ল'ব, আমি এটা কাম কৰিব পাৰো যে তেওঁলোকৰ মাজত জাগৰণৰ সৃষ্টি কৰিব পাৰো। এই বিষয়টোক লৈ আমি অলপ প্ৰচাৰ প্ৰসাৰ কৰিব পাৰো যে আপোনালোকে এখন I- card লওঁক। তাৰ পিছত কেতিয়াবা কৰবাত random check কৰিবলগীয়া হ'ব পাৰে। কিন্তু মই তেখেতক কথা দিছো, এইটো Sensitive Matter অলপ অসুবিধাও আছে তথাপি সদনত কথা দিছো যিসকলক কিন্নৰ বুলি আমি ভাৱো, তেওঁলোক হয়নে নহয়, তেওঁলোকে ক'ব, আমি ক'ব নোৱাৰো। কিন্তু আমি তেওঁলোকক কম যে আপোনালোকে সকলোৱে I -card লওঁক আৰু যদি বহুতে I card লয়,তাৰ পিছত random check কৰা হ'ব যে আপোনাৰ I- card দিয়ক।

**মাননীয় উপাধ্যক্ষ ঃ** তেওঁলোকক কিবা restriction দিব নোৱাৰি নেকি ? যিসকলৰ I card নাই, তেওঁলোকক যদি restriction কৰে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো sensitive হয়। যদি কামটো জোৰজবৰদস্তি কৰা হয়, তেতিয়া হলে অলপ অসুবিধা আছে। তাৰ মাজেৰে কৰিব লাগিব। কিন্নৰৰ যিটো অধিকাৰ, এগৰাকীৰ মহিলাৰ যি অধিকাৰ আজিকালি কিন্নৰৰো সেই অধিকাৰ। গতিকে তাৰ মাজেৰে আমি ব্যৱস্থাটো গ্ৰহণ কৰিব লাগিব।

মই হয়তো সকলোবোৰ ঘটনা গম নাপাওঁ, কিন্তু নগাওঁ আৰু তিনিচুকীয়াৰ উপায়ুক্ত, এছ পিৰ লগত কথা পাতিম। যদি তেনেকুৱা হৈছে strict action ল'বলৈ মই অনুৰোধ জনাম।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া নিয়মাৱলী ৩০১ ৰ নিয়মৰ অধীনত 'বিশেষ প্ৰসঙ্গ উত্থাপন' সন্মানীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱা। তেখেত অনুপস্থিত।

এতিয়া কাৰ্য্যসূচী নং ৭, মাননীয় বিত্ত মন্ত্ৰীয়ে ৩০-০৯-২০২২ ৰ পৰা ০১-১১-২০২২ তাৰিখলৈ অসম চৰকাৰৰ বিত্ত (কৰাৰোপণ) বিভাগৰ ৫ খন অসাধাৰণ ৰাজপত্ৰিত অধিসুচনা সদনত দাখিল কৰিব।

**(Hon'ble Speaker on the Chair)**

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানী হৈ মই ইংৰাজী ৩০-০৯-২০২২ ৰ পৰা ০১-১১-২০২২ তাৰিখলৈ অসম চৰকাৰৰ বিত্ত (কৰাৰোপণ) বিভাগৰ ৫ খন অসাধাৰণ ৰাজপত্ৰিত অধিসুচনা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৮, মাননীয় শক্তিমন্ত্ৰীয়ে Assam Electricity Regulatory Commission ৰ ৰাজপত্ৰিত অধিসুচনা চাৰিখন সদনত দাখিল কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া শক্তি মন্ত্ৰী।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Electricity Regulatary Commission ৰ সৰ্বমুঠ সদনৰ ৰাজপত্ৰিত অধিসূচনা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী।

**শ্ৰী অশোক সিংঘল, (মন্ত্ৰী গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই Housing and Urban Affairs বিভাগৰ ৮ (আঠ) খন অসাধাৰণ ৰাজপত্ৰিত অধিসূচনা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Item No. 10 মাননীয় খাদ্য আৰু অসামৰিক যোগান আৰু উপভোক্তা মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহনপাটোৱাৰী, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী শ্ৰীৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াৰ হৈ অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান তথা উপভোক্তা পৰিক্ৰমা বিভাগৰ এখন ৰাজপত্ৰিত অধিসূচনা দাখিল কৰিলো। Item No. 11

**মাননীয় অধ্যক্ষ ঃ** Item No. 12. Hon'ble Power Minister.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ বৰ্ষৰ বিত্তীয় বৰ্ষৰ Assam Power Distribution, Corporation Ltd. ৰ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 13. Hon'ble Power Minister.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ বৰ্ষৰ বিত্তীয় বৰ্ষৰ Assam Electricity Grid Corporation Ltd. ৰ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 14. Hon'ble Power Minister.

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (শক্তি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ বিত্তীয় বৰ্ষৰ Assam Power Generation Corporation Ltd. ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া ২০২২ চনৰ অক্টোবৰৰ ২২ তাৰিখৰ পৰা ২৫ তাৰিখলৈকে অসম বিধান সভাৰ প্ৰতিনিধি দলৰ সামদ্বীপলৈ যোৱা শিক্ষামূলক ভ্ৰমণৰ প্ৰতিবেদনখন দাখিল কৰিলো।

২০২২ চনৰ নৱেম্বৰৰ ১৮ তাৰিখৰ পৰা ২৩ তাৰিখলৈ ত্ৰিপুৰা আৰু বাংলাদেশলৈ যোৱা শিক্ষামূলক ভ্ৰমণৰ বাবে প্ৰতিবেদনখন দাখিল কৰিলো।

Item No. 17. অসম বিধান সভাৰ ৰাজহুৱা হিচাপসমূহৰ সমিতিৰ মাননীয় সভাপতিয়ে ৰিপোৰ্ট দাখিল কৰিব।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা হিচাপসমূহৰ সমিতিৰ মাননীয় সভাপতি শ্ৰীওৱাজেদ আলী চৌধুৰীৰ হৈ মই অসম বিধান সভাৰ ৰাজহুৱা হিচাপসমূহৰ সমিতিৰ ১৭৬, ১৭৭ আৰু ১৭৮ তম্ প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 18 . শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগসমূহৰ সমিতিৰ ৭২, ৭৩, ৭৪ আৰু ৭৫তম্ চাৰিখন প্ৰতিবেদন মই সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 19 . শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ মহিলা আৰু শিশু কল্যাণ সমিতিৰ ১০ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 20 . Hon'ble Education Minister Dr. Ranoj Pegu.

**ডাঃ ৰণোজ পেগু, (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয় কোৰ্টলৈ অসম বিধান সভাৰ সদস্যসকলৰ মাজৰ পৰা ৭ জন সদস্য নিৰ্বাচিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No. 21. "The Minimum Wages (Assam Amendment ) Bill, 2022." মই শ্ৰীসঞ্জয় কিষান ডাঙৰীয়াক বিধেয়কখন উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় "The Minimum Wages (Assam Amendment ) Bill, 2022." বিধেয়কখন সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Minimum Wages (Assam Amendment) Bill, 2022." বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.22.মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Building and Other Construction Workers Welfare Cess (Assam Amendment ) Bill, 2022". বিধেয়কখন প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Building and Other Construction Workers Welfare Cess (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান। Item No.23

**শ্ৰীসঞ্জয় কিষান, ( শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Plantations Labour (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Plantations Labour (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.24.মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Industrial Disputes (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Industrial Disputes (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.25. মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Beedi and Cigar Workers (Conditions of Employment) (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Beedi and Cigar Workers (Conditions of Employment) (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.26.মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Contract Labour (Regulation and Abolition) (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Contract Labour (Regulation and Abolition) (Assam Amendment ) বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেত সকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.27.মাননীয় মন্ত্ৰী শ্ৰী সঞ্জয় কিষান।

**শ্ৰীসঞ্জয় কিষান, (শ্ৰম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Inter-State Migrant Workmen (Regulation of Employment and Conditions of Services) (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Inter-State Migrant Workmen (Regula-

tion of Employment and Conditions of Services) (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.28.মাননীয় মন্ত্রী শ্রী সঞ্জয় কিষান।

**শ্রীসঞ্জয় কিষান, (শ্রম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Equal Remuneration (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Equal Remuneration (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.29.মাননীয় মন্ত্রী শ্রী সঞ্জয় কিষান।

**শ্রীসঞ্জয় কিষান, (শ্রম আৰু কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Building and Other Construction Workers (Regulation of Employment and Condition of Service) (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Building and Other Construction Workers (Regulation of Employment and Condition of Service) (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেত সকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল। Item No.30.মাননীয় মন্ত্রী শ্রী সঞ্জয় কিষান।

**শ্রীসঞ্জয় কিষান, (শ্রম আৰু কল্যাণ ইত্যাদি, বিভাগৰ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Payment of Gratuity (Assam Amendment ) Bill, 2022". বিধেয়কখন সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল "The Payment of Gratuity (Assam Amendment ) Bill, 2022". বিধেয়কখন উত্থাপন কৰিবলৈ সন্মতি আছে নে? যিসকল সদস্য/সদস্যাই সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

**সদন ২১-১২-২০২২ তাৰিখে ৰাতিপুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**